


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

*সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে*

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ১৯ ছেপ্টেম্বৰ ২০২৫/২ আহিন ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ২২ ● Vol - 14, Issue - 22

# মুখ্যমন্ত্ৰীৰ উপস্থিতিত দৰঙত ৬৩০০ কোটি টকা প্ৰকল্প ব্যয়েৰে তিনিটা বিশেষ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ শিলান্যাস প্ৰধানমন্ত্ৰী মোদীৰ

## অসমে নতুন আশা বুকুত বান্ধি এখন নতুন অসম নিৰ্মাণৰ দিশত আগবাঢ়িছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত দৰং জিলাৰ মঙলদৈত ৬৩০০ কোটি টকা প্ৰকল্প ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া তিনিটা বিশেষ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহ হৈছে ৫৭০ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, ৪৫৩০ কোটি টকা ব্যয়সাপেক্ষ গুৱাহাটী ৰিং ৰোড প্ৰকল্প আৰু ১২০০ কোটি টকা প্ৰকল্প ব্যয়ৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিববৈলে লোৱা কুৰুৱা-নাৰেংগী সংযোগী দলং। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিকশিত অসম গঢ়াৰ বিশাল কৰ্মযজ্ঞৰ অংশ হিচাপে নতুন ভাৰতৰ খনিকৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দৰঙত আধাৰশিলা স্থাপন কৰা ৬৩০০ কোটি টকাৰ তিনিটাকৈ আন্তঃগাঁথনিমূলক প্ৰকল্পই অঞ্চলটোৰ উন্নয়নৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব। তিনি বছৰৰ ভিতৰত দৰং মেডিকেল কলেজৰ কাম সম্পূৰ্ণ কৰি তোলা হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে ই দৰংবাসীৰ এক ডাঙৰ অভাৱ পূৰণ কৰিববৈলে সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টাত গুৱাহাটী সমগ্ৰ দক্ষিণ-পূব এচিয়াৰ দুৱাৰদলিত পৰিণত হৈছে। বহুপ্ৰত্যাশিত গুৱাহাটী ৰিং ৰোড প্ৰকল্পই গুৱাহাটী মহানগৰীক দৰং আৰু মৰিগাঁও জিলাৰে সংযুক্ত কৰি সমগ্ৰ অঞ্চলটোক উন্নয়নৰ নতুন উচ্চতালৈ লৈ যাব বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে গুৱাহাটী ৰিং ৰোড আৰু কুৰুৱা-নাৰেংগী দলঙে অঞ্চলটোৰ অৰ্থনীতি সমৃদ্ধ কৰাৰ লগতে এই পদক্ষেপে নতুন ছেটেলাইট চহৰ গঢ়ি তোলাৰ চালিকা শক্তি হিচাপে কাম কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে দিনটোত প্ৰধানমন্ত্ৰীয়ে দৰং আৰু গোলাঘাট জিলাত মুঠ ১৮,০০০ কোটি টকাৰ প্ৰকল্প অসমক উপহাৰ দিব। পূৰ্বৰ কোনো চৰকাৰে এইদৰে একেলগে ইমান বৃহৎ অংকৰ প্ৰকল্প অসমক উপহাৰ দিয়াৰ নজিৰ নাই বুলি উল্লেখ কৰি তেওঁ ইয়াৰ বাবে ৰাজ্যবাসীৰ হৈ প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে নামৰূপৰ *১০ পৃষ্ঠাত*






# নুমলীগড়ত ৭,২৩১ কোটি টকা ব্যয়সাপেক্ষ পলিপ্ৰ'পিলিন প্ৰকল্পৰো শিলান্যাস প্ৰধানমন্ত্ৰীৰ




দিছপুৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত গোলাঘাট জিলাৰ নুমলীগড়ত ১২ হাজাৰ কোটিৰো অধিক টকাৰ ব্যয়সাপেক্ষ দুটা প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস কৰে। প্ৰধানমন্ত্ৰীয়ে নুমলীগড় শোধানাগাৰত ৫ হাজাৰ কোটি টকা ব্যয়েৰে স্থাপন কৰা বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক বায়' ইথানল প্লাণ্ট অসম বায়'-ইথানল প্ৰকল্পৰ শুভ উদ্বোধন কৰাৰ লগতে ৭,২৩১ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিববৈলে লোৱা পলিপ্ৰ'পিলিন প্ৰকল্পৰ আনুষ্ঠানিকভাৱে শিলান্যাস কৰে। প্ৰধানমন্ত্ৰীয়ে বায়'-ইথানল প্ৰকল্পটি পৰিদৰ্শন কৰাৰ লগতে প্ৰকল্পত নিয়োজিত বিষয়া-কৰ্মচাৰী তথা বাঁহ খেতিয়কসকলৰ সৈতেও বাৰ্তালাপত মিলিত হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ জাতীয় জীৱনৰ বাবে এক সোণোৱালী দিন। আজি পুৱাৰ ভাগত প্ৰধানমন্ত্ৰীয়ে দৰঙত ৬ হাজাৰ কোটি টকাৰ প্ৰকল্পৰ শিলান্যাস কৰাৰ পাছত নুমলীগড় শোধনাগাৰত সৰ্বমুঠ ১২ হাজাৰ কোটি টকাৰো অধিক প্ৰকল্প ব্যয়সাপেক্ষ অসম বায়' ইথানল প্ৰকল্পৰ উদ্বোধন আৰু পলিপ্ৰ'পিলিন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছে। নুমলীগড় শোধানাগাৰক অসমৰ স্বাভিমানৰ প্ৰতীক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৯৯ চনত ভূতপূৰ্ব প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে বাৰ্ষিক ৩ মিলিয়ন মেট্ৰিকটন *১০ পৃষ্ঠাত*

# খেল-ধেমালিৰ গুৰুত্ব আৰু কিছু অনুভৱ


■ চিন্ময় নাথ

**মা**নৱ জীৱন হৈছে আনন্দ, উল্লাস আৰু চিৰন্তন সৃষ্টিৰ এক যাত্ৰাপথ। এই জীৱনযাত্ৰাত খেল-ধেমালিৰ স্থান অতি গুৰুত্বপূৰ্ণ। খেল-ধেমালি মানে কেৱল শিশুসকলৰ আনন্দৰ বিষয় নহয়; ই আমাৰ শাৰীৰিক, মানসিক আৰু সামাজিক বিকাশৰ এক অনন্য মাধ্যম। প্ৰথমতে, শাৰীৰিক দৃষ্টিকোণৰ পৰা যদি ক'বলৈ যাওঁ - খেল-ধেমালি কৰিলে শৰীৰ চঞ্চল হয়, পেশী শক্তিশালী *১০ পৃষ্ঠাত*



# বোকাখাতত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদ্‌যাপন

**মৃদুস্মিতা শৰ্মা ঃ** বোকাখাত সমজিলা প্ৰশাসনৰ উদ্যোগত আৰু বোকাখাত নাট্য মন্দিৰৰ সহযোগত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন অনুষ্ঠানটি ৮ চেপ্তেম্বৰত বোকাখাত নাট্যমন্দিৰত অনুষ্ঠিত হৈ যায়। বিশ্ববাসীৰ  হিয়াৰ আমঠু ভূপেনদাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ্য অৰ্পণ কৰি সশ্ৰদ্ধ প্ৰণিপাত জনায় অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী বোকাখাতৰ অতুল বৰাই। পুষ্পাৰ্ঘ অৰ্পণ কৰে বোকাখাত সমজিলাৰ আয়ুক্ত শিৱানী জাৰ্নেগেল, বোকাখাত পৌৰসভাৰ পৌৰপতি ৰত্নেশ্বৰ পৱন বৰুৱা, সদৌ অসম সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা আদি বোকাখাতৰ গণ্যমান্যব্যক্তিসকলে। অনুষ্ঠানটিত বোকাখাতৰ বিশিষ্ট শিল্পী জিতেন শৰ্মা ৰাজখোৱাই ভূপেন হাজৰিকাৰ সান্নিধ্যৰ সুবাস কথা আৰু গীতেৰে, সঞ্জীৱ ভট্টাচাৰ্য, ৰত্নেশ্বৰ মৰাং, সৌৰভ হাজৰিকা প্ৰমুখ্যে অন্যান্য স্থানীয় শিল্পীসকলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। বোকাখাত সমজিলাৰ আয়ুক্ত প্ৰমুখ্যে গণ্যমান্য ব্যক্তিসকল আৰু স্থানীয় ৰাইজে অনুষ্ঠানটিত অংশগ্ৰহণ কৰি ভূপেনদাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। ভূপেনদাৰ অমৰ সৃষ্টিৰাজি হৈ ৰ'ব জাতিৰ সঞ্জীৱনী সুধা। বোকাখাত নাট্যমন্দিৰ প্ৰাংগণত পুৱা ১০ বজাত সংগীত সূৰ্য ভূপেন হাজৰিকাদেৱৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বোকাখাত নাট্যমন্দিৰৰ সভাপতি দিলীপ শইকীয়া আৰু বোকাখাতৰ বিভিন্ন অনুষ্ঠানৰ বিষয়ববীয়াসকলে। বোকাখাত নাট্যমন্দিৰৰ সম্পাদক জিতু শৰ্মা ৰাজখোৱাই আঁত ধৰা এই অনুষ্ঠানত বোকাখাতৰ সমৱেত সংগীত শিল্পীৰ দলটিয়ে ভূপেন হাজৰিকাৰ তিনিটা অমৰ সংগীত পৰিৱেশন কৰে। বিভিন্ন অনুষ্ঠানৰ বিষয়ববীয়াসকলৰ উপস্থিতিত আৰু বোকাখাত নাট্যমন্দিৰতে ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকী উপলক্ষে কেক কাটে সভাপতি দিলীপ শইকীয়া আৰু বিশিষ্ট সমাজকৰ্মী মহাবীৰপ্ৰসাদ আগৰৱালাদেৱে। ভূপেন হাজৰিকাৰ গীত মাতেৰে এই অনুষ্ঠানৰ সামৰণি কৰা হয়।



# ডিব্ৰুগড়ৰ চেচুঘাটত চতুৰ্থ বুঢ়ীদিহিং গ্ৰন্থ মহোৎসৱৰ সামৰণি, ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ৰ চেচুঘাটত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা বুঢ়ীদিহিং গ্ৰন্থ মহোৎসৱখনি সফলতাৰে সামৰণি পৰে। চেচুঘাট, বুঢ়ীদিহিং যুৱক সংঘ আৰু ৰাইজৰ আতিথ্যত চতুৰ্থ বাৰ্ষিক বুঢ়ীদিহিং গ্ৰন্থ মহোৎসৱ ২০২৫ তিনিদিনীয়াকৈ অনুষ্ঠিত হয়। যুৱনেতা তথা ডিব্ৰুগড় নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা অনুৰাগী মঞ্চ আৰু চেচুঘাট, বুঢ়ীদিহিং যুৱক সংঘৰ সহযোগত সন্ধিয়া এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই সাংস্কৃতিক অনুষ্ঠানত যুৱ নেতা অসীম হাজৰিকাই উদ্বোধন কৰি কিছু উল্লেখনীয় বক্তব্যৰে উপস্থিত ৰাইজক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। সাংস্কৃতিক অনুষ্ঠানত বিশিষ্ট ব্যক্তিসকলৰ লগতে চেচুঘাট, বুঢ়ীদিহিং অঞ্চলৰ বিশিষ্ট ব্যক্তি আৰু ৰাইজ উপস্থিত থাকে। সাংস্কৃতিক অনুষ্ঠানতে চেচুঘাট, বুঢ়ীদিহিং অঞ্চলৰ ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক আৰু অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকলৰ বাবে এক সম্বৰ্ধনা কাৰ্যসূচীও অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত চেচুঘাট, বুঢ়ীদিহিং অঞ্চলৰ ২১ গৰাকীকৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কৃতী ছাত্ৰ-ছাত্ৰীক এখনিকৈ সম্বৰ্ধনা পত্ৰ আৰু গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰোপৰি খোৱাং সংঙ্গীত বিদ্যালয়ৰ প্ৰশিক্ষক ৰূপজ্যোতি বৰুৱাৰ উদ্যোগত প্ৰায় ৫ টাকৈ বিভিন্ন সৃষ্টিশীল নৃত্য পৰিৱেশন কৰা হয়। নিশালৈ আয়োজন কৰা সাংস্কৃতিক সন্ধিয়াত গীতৰ শৰাই আগবঢ়ায় ক্ৰমে শিল্পী দীপ দিহিং, প্ৰিয়ম বনিতা, মাধৱ মুকুন্দ আদিয়ে। শেষত যুৱ নেতা অসীম হাজৰিকাই বুঢ়ীদিহিং গ্ৰন্থ মহোৎসৱৰ উদ্যোক্তাসকলৰ লগতে সাংস্কৃতিক অনুষ্ঠানটি পৰিচালনা কৰা 'অসীম হাজৰিকা অনুৰাগী মঞ্চ'ৰ সকলো ব্যক্তিলৈ শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানটি সামৰণি পৰে।

# শোণিতপুৰৰ ঘোঁৰামাৰী হেম বৰুৱা উঃ মাঃ বিদ্যালয়ত হিন্দী দিৱস পালন

## বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা 'অভিব্যক্তি' হিন্দী হাতে লিখা আলোচনীৰ উন্মোচন




**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰ জিলাৰ ঘোঁৰামাৰীস্থিত ১৯৪৮ চনত স্থাপিত হোৱা হেম বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শনিবাৰে হিন্দী দিৱস উদ্‌যাপন কৰে। বিদ্যালয়খনৰ শিক্ষয়ত্ৰী সুস্বপ্না হাজৰিকাই আঁত ধৰা সভাখনত সভাপতিৰ আসন অলংকৃত কৰে বিদ্যালয়খনৰ অধ্যক্ষা মিন্টু নাৰ্জাৰীয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষক কয়লা কান্ত বৰাই। বিশিষ্ট অতিথি হিচাপে আসন অলংকৃত কৰে তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হিন্দীৰ বিষয় শিক্ষক ড° প্ৰবীণ কোঁচ, বালিপৰা ব্লকৰ সমল ব্যক্তি গায়ত্ৰী বেজবৰুৱা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ময়ুৰ গগৈৰ লগতে বহুকেইজন গণ্য মান্য ব্যক্তি উপস্থিত থাকে। উক্ত অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে সমৱেত সংগীত, দেশপ্ৰেমমূলক নৃত্য পৰিৱেশনৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰি উলিওৱা 'অভিব্যক্তি' শীৰ্ষক এখনি হিন্দী হাতে লিখা আলোচনীৰো শুভ উন্মোচন কৰে। বিশিষ্ট ব্যক্তিসকলে ভাষণ প্ৰসংগত হিন্দী বিষয়টো কিয় পঢ়িব লাগে সেই সন্দৰ্ভত শিক্ষাৰ্থীসকলক বিশেষ আলোকপাত কৰে লগতে এখন অসমীয়া মাধ্যমৰ বিদ্যালয়টো হিন্দী দিৱস উদ্‌যাপনৰ দৰে এক ব্যতিক্ৰমী অনুষ্ঠান সুন্দৰভাৱে আয়োজন কৰাৰ বাবে শিক্ষয়িত্ৰী সুস্বপ্না হাজৰিকাৰ শলাগ লয়।

# ডিব্ৰুগড়ৰ বঙালগাঁৱত অসম সাহিত্য সভাৰ শাখা গঠন

## ভূষণ জ্যোতি সন্দিকৈ সভাপতি



**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ৰ বঙালগাঁওস্থিত বঙালগাঁও প্ৰাথমিক বিদ্যালয়ত  অনুষ্ঠিত এক ৰাজহুৱা সভাত অসম সাহিত্য সভাৰ এটি শাখা গঠন কৰা হয়। বঙালগাঁৱৰ লগতে অঞ্চলটোৰ সমীপৱৰ্তী হিলৈধাৰী, চান্দৈপথাৰ, মাইজান, সেউজপুৰ, বাণীপুৰ তিনিআলি আদি অঞ্চলৰ শতাধিক পুৰুষ-মহিলা, যুৱক-যুৱতী, চৰকাৰী গাঁওপ্ৰধান, পঞ্চয়ত আৰু জিলা পৰিষদৰ সদস্যৰ উপস্থিতিত অনুষ্ঠিত ৰাজহুৱা সভাই অঞ্চলটোৰ উঠি অহা প্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়ন আৰু সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে এই শাখা সমিতি গঠন কৰা হয়। সম্পাদকে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত সুদীৰ্ঘ আলোচনাৰ অন্তত ৰাজহুৱা সভাই সৰ্বসন্মতিক্ৰমে এখনি উচচ সম্পন্ন শাখাসমিতি গঠন কৰি কেন্দ্ৰীয় সমিতিৰ স্বীকৃতিৰ বাবে প্ৰেৰণ কৰা হয়। 'ৰামধেনু শাখা সাহিত্য সভা' নামেৰে নামকৰণ কৰা শাখা সমিতিৰ সভাপতি হিচাপে বিশিষ্ট লেখক-জ্যেষ্ঠ সাংবাদিক ভূষণজ্যোতি সন্দিকৈ আৰু সম্পাদক হিচাপে অনিল প্ৰসাদ সিংহকলৈ এখনি ১৮ জনীয়া সদস্যৰে শক্তিশালী শাখা সমিতি গঠন কৰা হয়। সমিতিৰ অন্যান্য বিষয়ববীয়াসকল হৈছে— ৰত্নেশ্বৰ ফুকন (উপ-সভাপতি), বিমল চন্দ্ৰ দত্ত আৰু কৃষ্ণ দাস (সহঃসম্পাদক), মদন ভৰালী (কোষাধ্যক্ষ) আৰু মাণিক বৈশ্য (পত্ৰিকা সম্পাদক)। সমিতি গঠন অনুষ্ঠানত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ তৰফৰ পৰা পৰ্যবেক্ষক হিচাপে জিলা সহঃ সম্পাদক অজিত কুমাৰ বুঢ়াগোহাঁই আৰু কেন্দ্ৰীয় সমিতিৰ প্ৰতিনিধি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ আমন্ত্ৰিত সদস্য লেখক- সাহিত্যিক ইন্দ্ৰ গগৈ। মূল সমিতিৰ উপৰি এই সভাতেই 'ৰামধেনু', 'আকাশ', আৰু 'কুঁহি' — এই তিনিখন উপ-সমিতিও গঠন কৰা হয়।

# পাপৰি দেৱীৰ 'হৃদয়ৰ কেনভাচত কবিতাৰ শলিতা' উন্মোচন

**বোকাখাত ঃ** কবি পাপৰি দেৱীৰ নতুন কাব্যগ্ৰন্থ 'হৃদয়ৰ কেনভাচত কবিতাৰ শলিতা' শুকুৰবাৰে অনলাইন অনুষ্ঠানৰ জৰিয়তে প্ৰকাশ কৰা হয়। ৰসজ্ঞ হোৱাটছএপ গোটৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰে টিহু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° হেমেন ৰাজবংশীয়ে। অনুষ্ঠানত ৰসজ্ঞ গোটৰ সভানেত্ৰী মালবিকা শৰ্মা, যুৱ লেখক মুন শৰ্মা, ত্ৰাতৃ এপৰ স্বত্বাধিকাৰী ত্ৰিদীপ বৰুৱা, ঔপন্যাসিক-প্ৰবন্ধকাৰ প্ৰবোধ চন্দ্ৰ মিশ্ৰ, লগতে দিগন্ত নিবিড়, মণিৰূপা মিশ্ৰ, মৃদুস্মিতা শৰ্মা, নীলিমা দেৱী, সত্যজিত চৌধুৰী, প্ৰণিতা হালৈ, দিশান্ত পৰাশৰ আদিকে ধৰি কেইবাজনো বিশিষ্ট সাহিত্যিক-কবিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত কবিগৰাকীৰ পিতৃ-মাতৃও উপস্থিত আছিল। গ্ৰন্থখন ত্ৰাতৃ ছফ্‌টৱেৰৰ প্লেটফৰ্মত উপলব্ধ হ'ব বুলি জানিবলৈ দিয়া হৈছে। ইয়াৰ পূৰ্বে পাপৰি দেৱীৰ 'জোনাকস্নাতা হিয়াৰ সুবাস' নামৰ কাব্যগ্ৰন্থ প্ৰকাশ পাই ভাল সমাদৰ লাভ কৰিছিল। নতুন কাব্যগ্ৰন্থখনেও পাঠক সমাজৰ পৰা অধিক সমাদৰ লাভ কৰিব বুলি আশা কৰা হৈছে।

# সত্য প্ৰকাশ কৰাটোৱেই হৈছে সাংবাদিকতাৰ আধাৰ ঃ পৰেশ বৈশ্য

## গুৱাহাটীত পৰেশ কলিতা স্মাৰক বক্তৃতা প্ৰদান




**গুৱাহাটী ঃ** যোৱা ১১ ছেপ্টেম্বৰত গুৱাহাটী প্ৰেছ ক্লাবত কামৰূপ জিলা সাংবাদিক সন্থাই আয়োজন কৰা প্ৰথম বাৰ্ষিক পৰেশ কলিতা স্মাৰক বক্তৃতা সম্পন্ন হয়। 'সংবাদ মাধ্যমৰ প্ৰতি ভাবুকি ঃ হিংসা, ভুল তথ্য আৰু চেঞ্চৰশ্বীপ' শীৰ্ষক বক্তৃতা প্ৰদান কৰে বিশিষ্ট শিক্ষাবিদ, সমালোচক ড° দয়ানন্দ পাঠকে। বক্তৃতা প্ৰদান কৰি তেখেতে কয় যে শাসক গোষ্ঠীয়ে নিজৰ গাদী সুৰক্ষিত কৰি ৰাখিবলৈ প্ৰায়েই সংবাদ মাধ্যমক ভীতিগ্ৰস্ত কৰি আহিছে। বিগত কিছু দিনত সংবাদ মাধ্যমে এনে ভীতিগ্ৰস্ততাৰ দ্বাৰা ব্যাপকভাৱে আক্ৰান্ত হৈছে। তেওঁ কয় যে দক্ষ সম্পাদনা ৰীতিৰ অভাৱ, ভুল তথ্যৰ প্ৰচাৰৰ বাবে এতিয়া ক্ৰমাৎ সংবাদ মাধ্যমৰ প্ৰতি জনসাধাৰণৰ বিশ্বাস কমি আহিছে। জীৱনত বাতৰি এটা লিখাৰ নজিৰ নথকা লোকেও বাতৰি কাকতৰ সম্পাদকৰ আসনত বহিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। ফলত একাংশ কাকতৰ বাতৰি এতিয়া পাঠকৰ বাবে অখাদ্য হৈ পৰিছে। তেওঁ আৰু কয় যে সংবাদ মাধ্যমৰ একাংশ সম্পাদক, সংসাদসেৱীয়ে এতিয়া ৰাজনীতিকৰ জেপত সোমাই সাংবাদিকতা কৰিবলৈ লোৱাটো গণতন্ত্ৰৰ বাবে অশনি সংকেত। তেওঁ আৰু কয় যে এতিয়া সাহসিকতাৰে সাংবাদিকতা কৰি শাসক গোষ্ঠীৰ ভ্ৰষ্টাচাৰ উন্মোচন কৰা সাংবাদিকসকল চৰকাৰৰ শত্ৰু হ'ব লগা হৈছে। ইয়াৰ আগতে স্মাৰক বক্তৃতাৰ বিষয়বস্তুৰ সংক্ষিপ্ত আলোকপাত কৰি লেখক-সাংবাদিক তথা শিক্ষাবিদ পৰেশ বৈশ্যই কয় যে সংবাদ মাধ্যমক নিয়ন্ত্ৰণ কৰা মানেই জনগণৰ চিন্তা-চেতনা আৰু বিশ্বাসক বলপূৰ্বকভাৱে নিয়ন্ত্ৰণ কৰা। য'ত জনতাই কথা ক'ব পাৰে আৰু চৰকাৰে শুনে ত'তেই সুস্থ গণতন্ত্ৰ প্ৰৱৰ্তিত হয়। তেওঁ আৰু কয় যে সত্য প্ৰকাশ কৰাটোৱেই সাংবাদিকতাৰ আধাৰ। কিন্তু সত্য প্ৰকাশ নিচিনা কঠিন অনুশীলন আন একো নাই, যিদৰে তোষামোদ কৰাটো হৈছে আটাইতকৈ সহজ অনুশীলন। সংবাদ মাধ্যমে ইয়াৰ কোনটো পথত অৱস্থান কৰে সেইটোহে চিন্তনীয় কথা। তেওঁ আৰু কয় যে দেশত আভ্যন্তৰীণ বিপৰ্যয় নথকাৰ পাছতো সাম্প্ৰতিক সময়ত বহু ক্ষেত্ৰত ৰাজনৈতিক বৈৰীতাৰ শংকাত বা চৰকাৰৰ লোভনীয় বিজ্ঞাপন নীতিৰ দ্বাৰা আকৰ্ষিত হৈ একাংশ সংবাদ মাধ্যমে স্ব-চেঞ্চৰশ্বিপ ৰীতি অৱলম্বন কৰাটো দেশীয় সংবাদ মাধ্যমৰ এক ব্যতিক্ৰমী বৈশিষ্ট্য হিচাপে চিহ্নিত হৈছে। তেওঁ সাংবাদিক প্ৰয়াত পৰেশ কলিতাৰ সাংবাদিকতাৰ ধাৰা সম্পৰ্কেও সুন্দৰকৈ আলোকপাত কৰে। কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি প্ৰকাশ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত উক্ত বক্তৃতা অনুষ্ঠানৰ আৰম্ভণিতে পৰেশ কলিতাৰ সহধৰ্মিণী ড° মীৰা ৰাণী কলিতাই প্ৰয়াত পৰেশ কলিতাৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কামৰূপ জিলা সাংবাদিক সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ধীৰাজ কুমাৰ ডেকাই আঁত ধৰা উক্ত অনুষ্ঠানৰ উদ্দেশ্যে ব্যাখ্যা কৰে কামৰূপ জিলা সাংবাদিক সন্থাৰ কাৰ্যকৰী সভাপতি ধীৰাজ কুমাৰ দাসে। অনুষ্ঠানত অসম বাৰ্তাজীৱী সংঘৰ উপ- সভাপতি অঞ্জন কুমাৰ শৰ্মাই ভাষণ দি অসমৰ এশ আশী বছৰীয়া ইতিহাসৰ সময়ছোৱাত হোৱা সাংবাদিকতাৰ অনুশীলনৰ বিভিন্ন দিশ আলোকপাত কৰে। তেখেতে পৰেশ কলিতাৰ বৰ্ণাঢ্য জীৱনৰ স্মৰণ কৰে। সভাত অসম প্ৰাক্তন শিক্ষামন্ত্ৰী যতীন মালী, ইতিহাসবিদ ড° গজেন্দ্ৰ অধিকাৰী, সমাজকৰ্মী ঘনশ্যাম শইকীয়া, ড° নিবেদিতা ডেকা, কামৰূপ জিলা বিভিন্ন অঞ্চলৰ পৰা অহা সাংবাদিকসকল প্ৰমুখ্যে প্ৰয়াত পৰেশ কলিতাৰ পৰিয়ালবৰ্গ উপস্থিত থাকে। সামৰণিৰ ৰাতুল কুমাৰ ডেকাই শৰাইৰ শৰাই আগবঢ়ায়।




# অংক শিক্ষকজন 'অনুভৱ মাষ্টৰ'ৰ দৰে হোৱাটো প্ৰয়োজন

■ **শতাব্দী শৰ্মা**
আমোলাপট্টি, নগাঁও

ড° মৃণাল কলিতাদেৱৰ 'বকুল ফুলৰ দৰে' পঢ়াৰ পিছত নিজৰ মনোজগতত বাৰম্বাৰ এটা প্ৰশ্নই ভুমুকি মাৰিছে। আমাৰ দিনত গণিতৰ শিক্ষকজন কিয় ভয়ানক আছিল। শুনিবলৈ অপ্ৰিয় হ'লেও সত্য যে, গণিতৰ প্ৰতি আজিলৈকে কোনো অনুৰাগ জন্ম নোহোৱাৰ একমাত্ৰ কাৰণ হ'ল সেই তাহানিৰ পঢ়াশালিৰ গণিতৰ শিক্ষকজন। প্ৰতিযোগিতামূলক পৰীক্ষাৰ ক্ষেত্ৰত যেতিয়া ইউটিউব বা তেনে প্লেটফৰ্মত গণিতৰ ক্লাছবোৰ চোৱা যায়, তেতিয়া তেওঁলোকৰ বুজোৱাৰ শৈলীৰ লগত তাহানিৰ সেই শিক্ষকজনৰ বুজোৱাৰ শৈলীবোৰ ৰিজাই চাই হঠাতে মনত পৰে। তেতিয়াই যদি এনেকৈ সহজকৈ বুজালেহেঁতেন, কথাবোৰ নুবুজিলে খং নকৰি বা চেকনী নেদেখুৱাই যদি মৰমত শিকালেহেঁতেন, 'অসীম' ৰ দৰে জুৱেল একোটা 'গাধ' হৈ নপৰিলহেঁতেন। চৰিত্ৰবোৰ যদিও কাল্পনিক , উপন্যাসখন পঢ়িলে দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে অনন্য অনুভূতিয়ে জোঁকাৰি যায়। আচলতে স্কুলীয়া জীৱনৰ দিনবোৰ মনত পৰে। এটা কথা ঠিক, আজিৰ দিনত 'চেকনীৰ আগত বিদ্যা' উঠি যোৱাৰ বাবেই ল'ৰা-ছোৱালী অধঃপতনে গৈছে। আগৰ দৰে শিক্ষাৰ্থীসকলে শিক্ষাগুৰুক সন্মান কৰিব নজনা হৈছে। কিন্তু সকলো কথাতে অনুশাসন আৱশ্যক নহয়। এই কথাখিনি প্ৰকাশৰ জৰিয়তে এজন শিক্ষকৰ দক্ষতাক প্ৰশ্ন কৰা নাই। কিন্তু এই ক্ষেত্ৰত চালি-জাৰি চাবলগীয়া বহুত দিশ আছে। আজিৰ প্ৰজন্মৰ শিক্ষকসকলৰ পঢ়োৱাৰ শৈলী বেলেগ, শিক্ষাৰ্থীসকলে সহজে বুজি পায়। কিছুমান ক্ষেত্ৰত সেয়ে প্ৰত্যেকখন বিদ্যালয়ত অংকৰ শিক্ষকজন 'অনুভৱ মাষ্টৰ' হোৱাটো প্ৰয়োজন। 'বকুল ফুলৰ দৰে' উপন্যাসখনত দুটা শিক্ষা ৰীতিৰ দুজন শিক্ষকৰ ধাৰণা দিয়া হৈছে, এফালে মহেন্দ্ৰ মাষ্টৰৰ ৰূপত এজন স্বগৌৰৱেৰে মহীয়ান, কঠোৰ অনুশাসনৰ বাঘজৰী লৈ গজদন্ত মিনাৰত বহি থকা আত্মকেন্দ্ৰিক শিক্ষক আৰু অন্যহাতে অন্যজন অনুভৱ মাষ্টৰৰ ৰূপত আধুনিক শিক্ষানীতিৰ কায়দা জনা, নিজৰ কৰ্মৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষণ কৰিব পৰা শিক্ষক। যি কেৱল শিক্ষাৰ্থীৰ পুথিগত শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াই নহয়, বৰঞ্চ শিক্ষাৰ্থীৰ ব্যৱহাৰিক জ্ঞান তথা অন্যান্য বিষয়তো গুৰুত্ব দিছে। এজন শিক্ষক 'ঘঁহি থাকিলে শিলো ক্ষয় যায়' নীতিৰ পৰিপন্থী। শিক্ষকতা বৃত্তিটোক সকলোৱে শ্ৰদ্ধা কৰে। আজিৰ দিনত এজন শিক্ষক যেনে, অতীততো শিক্ষক তেনে আছিল। মাথোঁ শিক্ষা ৰীতিৰ পাৰ্থক্য। তথাপি মনটো গধুৰ লাগে, নিজৰ স্কুলীয়া শিক্ষাৰ সময়ত আমি এজন 'অনুভৱ মাষ্টৰ'ৰ দৰে শিক্ষক নাপালোঁ। বিষয়টো নোৱাৰিলে সকলোৱে আগত গালি পাৰিলে শিক্ষাৰ্থীজনে লজ্জা অনুভৱ কৰে, তাৰপিছত তেওঁ সেই বিষয়টোত গুৰুত্ব দিবলৈ এৰি বিষয়টো এলাগী কৰে। এই কাৰ্যটো বিশেষকৈ অংক বিষয়টোৰ ক্ষেত্ৰত দেখা যায়। অংকৰ পৰিসীমা মাথোঁ স্কুলীয়া পৰ্যায়লৈকে নহয়, ডাঙৰ হৈ যোৱাৰ লগে লগে অংক অবিহনে প্ৰতিযোগিতামূলক পৰীক্ষা অতিক্ৰম কৰাটো সম্ভৱ নহয়। অংক বিষয়টো মনোগ্ৰাহী হ'লেহে কৰিবলৈ মন যায়, গণনা ভুল হ'লেও বাৰম্বাৰ কৰিবলৈ আগ্ৰহ থাকে। অংক শিক্ষকজনেই যদি বিষয়টো শ্ৰেণীতে টান কৰি দিয়ে, পিছলৈ ই বাস্তৱ জীৱনতো 'চকুৰ কুটা দাঁতৰ শাল' হৈ পৰে। অংক বিষয়টো জীৱনৰ প্ৰতিটো স্তৰতে অতি দৰকাৰী, গতিকে গোটেই জীৱনলৈ মনত সাঁচ বহুৱাব পৰাকৈ ছাত্ৰ-ছাত্ৰীক অংকৰ প্ৰাথমিক জ্ঞানখিনি দিয়াটো নিতান্তই প্ৰয়োজনীয়। অনুভৱ মাষ্টৰ এনে এটা একক আৰু পৃথক চৰিত্ৰ, যি 'বকুল ফুলৰ দৰে' উপন্যাসখন পঢ়া প্ৰতিজন মানুহৰ মন চুই যাব পাৰে।

**ম'বাইল ঃ** ৬৯০১১-৫২৪২৯

# শিৱসাগৰ জিলাৰ বিধানসভা সমষ্টি ভিত্তিক মেগা স্বাস্থ্য সেৱা শিৱিৰৰ সন্দৰ্ভত জৰুৰী আলোচনা



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয় চৌহদত থকা স্বাস্থ্য বিভাগৰ অতিৰিক্ত জিলা আয়ুক্তৰ চেম্বাৰত ১৬ ছেপ্তেম্বৰত এখনি জৰুৰী বৈঠক অনুষ্ঠিত হয়। বৈঠকত 'সেৱা সপ্তাহ' উদ্‌যাপনৰ অংশস্বৰূপে বিধানসভা ভিত্তিত অনুষ্ঠিতব্য 'মেগা স্বাস্থ্যসেৱা শিবিৰ'ৰ বিষয়ে বিশেষ আলোচনা কৰা হয়। এই শিবিৰসমূহ ডিমৌ বিধানসভা সমষ্টিৰ বাবে ডিমৌ ৰাজহুৱা খেলপথাৰত অহা ১৯ ছেপ্তেম্বৰত, নাজিৰা বিধানসভা সমষ্টিৰ বাবে চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অহা ২৬ ছেপ্তেম্বৰত আৰু শিৱসাগৰ বিধানসভা সমষ্টিৰ বাবে গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক ইণ্ডাষ্ট্ৰীয়েল ইনষ্টিটিউটত অহা ৪ অক্টোবৰত অনুষ্ঠিত কৰা হ'ব। স্বাস্থ্য বিভাগৰ অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে সেৱা সপ্তাহৰ অন্তৰ্গত বিভিন্ন কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে সংশ্লিষ্ট বিভাগসমূহৰ মাজত এক সু-সমন্বয় ৰক্ষা কৰিবৰ বাবে আহ্বান জনায়। লগতে তেওঁ বিভিন্ন বিভাগৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে আলোচনা কৰে। উল্লেখ্য যে, স্বাস্থ্য বিভাগৰ জিলা গণমাধ্যম বিশেষজ্ঞ আৰু জনসম্পৰ্কৰক্ষী বিষয়া অঞ্জুশ্ৰী ফুকনে অৱগত কৰা অনুযায়ী সেৱা সপ্তাহ উপলক্ষে অনুষ্ঠিতব্য 'বৃহৎ স্বাস্থ্য শিবিৰ'ত ১০ গৰাকী বিশেষজ্ঞ চিকিৎসকে অংশগ্ৰহণ কৰিব। উক্ত শিবিৰত সাধাৰণ ৰোগৰ পৰীক্ষণৰ লগতে অসংক্ৰামক ৰোগ (নন Communicable Disease)ৰ পৰীক্ষা আৰু 'কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যন'ৰ সহযোগত কৰ্কট ৰোগৰো পৰীক্ষা কৰা হ'ব। লগতে জিলাখনৰ অন্তৰ্গত অতিশয় পুষ্টিহীনতাত ভোগা শিশুসকলৰ স্বাস্থ্য পৰীক্ষণৰ ব্যৱস্থাও এই শিবিৰত উপলব্ধ হ'ব। হৃদৰোগত আক্ৰান্ত ১৮ বছৰ বয়সৰ অনুৰ্ধ ৰোগীসকলৰ পৰৱৰ্তী পৰ্যায়ৰ যাৱতীয় চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে।

# বংশৰত দুৰ্গা পূজাৰ আয়োজন, তিনিখনকৈ পূৰ্ণাংগ নাটক মঞ্চস্থ হ'ব

**ৰমেন ভৰালী, বংশৰ ঃ** ১৯৯১ খ্ৰীষ্টাব্দত পৰা সদৌ বংশৰবাসী ৰাইজে শক্তিৰ অধিষ্ঠিত্ৰী শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ পূজাভাগ কৰি আহি এইবেলি ৩৫তম বৰ্ষত ভৰি দিছেহি। শক্তি পূজাৰ জৰিয়তে আমাৰ সমাজৰ পৰা অপশক্তি, অসূয়া, অপ্ৰীতি বিনাশ হৈ আমাৰ মাজত গঢ়ি উঠিব শান্তি আৰু সমৃদ্ধিৰ এক সুস্থ পৰিৱেশ। নতুনত্বৰ জোৱাৰে জীপাল কৰিব সকলোৰে হৃদয়বোৰ, গঢ়ি উঠিব ভালপোৱাৰ সংস্কৃতি। অহা ২৭ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিয়ে শক্তিৰ অধিষ্ঠিত্ৰী মা শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ শ্ৰীচৰণত সদৌ বংশৰবাসী ৰাইজে পূজা অৰ্চনাৰ মানস কৰিছে। ইতিমধ্যে পূজা পৰিচালনা কৰাৰ বাবে ভুৱনেশ্বৰ কাকতিক সভাপতি, ক্ষীৰোদ বৈশ্যক কাৰ্যকৰী সভাপতি, অনন্ত কুমাৰ দাসক উপ-সভাপতি, নৱজ্যোতি বৈশ্যক সম্পাদক, শ্যাম কাকতিক সহকাৰী সম্পাদক, নিতুল ঠাকুৰীয়াক বিত্ত সম্পাদক, শচীন বৈশ্যক কোষাধ্যক্ষ, মনোৰঞ্জন বৈশ্য, দশৰথ বৈশ্য, প্ৰদীপ পাঠক, কন্দৰ্প ঠাকুৰীয়াক অভ্যৰ্থনা সম্পাদক, ইন্দ্ৰকান্ত বৈশ্যক শোভাযাত্ৰাৰ সভাপতি, জিন্টু দাসক সাংস্কৃতিক সম্পাদক, যাদৱ বৈশ্যক কাৰ্যালয় সম্পাদক আৰু নৱজ্যোতি বৈশ্যক প্ৰচাৰ সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হৈছে। সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিৰ কাৰ্যসূচী অনুসৰি ২৭ ছেপ্টেম্বৰত সন্ধিয়া ৬.৩০ বজাত শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ বোধন। ২৮ ছেপ্টেম্বৰত পুৱা ৮ বজাত ৩৫ তম সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিৰ সভাপতি ভুৱনেশ্বৰ কাকতিয়ে পতাকা উত্তোলন কৰিব, বিয়লি ২ বজাত শোভাযাত্ৰা উদ্বোধন কৰিব ৩৫ তম সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিৰ শোভাযাত্ৰাৰ সভাপতি ইন্দ্ৰকান্ত বৈশই, সন্ধিয়া ৬.৩০ বজাত শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ আমন্ত্ৰণ আৰু অধিবাস, সন্ধিয়া ৭ বজাত ৰাজহুৱা বন্তি প্ৰজ্বলন কাৰ্যসূচী শুভাৰম্ভ কৰিব অসমৰ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে, নিশা ৮ বজাত মহৰিপাৰা আঞ্চলিক মহিলা নাগাৰা নামৰ উদ্বোধন কৰিব ভাৰতীয় জনতা পাৰ্টীৰ অসম ৰাজ্যিক কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যই। ২৯ ছেপ্টেম্বৰত পুৱা আইসকলৰ পানী তোলন, দেৱীৰ নৱ পত্ৰিকা স্নান, প্ৰৱেশ, স্থাপন, সপ্তমী বিহিত পূজাৰম্ভ, আইসকলৰ নাম প্ৰসংগ, দুপৰীয়া ৰাজহুৱা স্তৱ পাঠ, পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ, বিয়লি ওজাপালি পৰিৱেশন, সন্ধিয়া ৰাজহুৱা বন্তি প্ৰজ্বলন আৰু আৰতি আৰু নিশা ১০ বজাত শ্ৰীশ্ৰী কৃষ্ণ নাট্য গোষ্ঠী, আমবাড়ীৰদ্বাৰা নাট্যাভিনয়। ৩০ ছেপ্টেম্বৰত পুৱা আইসকলৰ পানী তোলন, মহাষ্টমী বিহিত পূজাৰম্ভ, আইসকলৰ নাম প্ৰসংগ, দুপৰীয়া ৰাজহুৱা স্তৱ পাঠ, পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ, বিয়লি দেৱীৰ ৰাজহুৱা ভোগ বিতৰণ, বিয়লি ১.২২ বজাত সন্ধি পূজা আৰম্ভ, বিয়লি ২.০৯ বজাত সন্ধি পূজা সমাপন, বিয়লি ৩ বজাত ওজাপালি পৰিৱেশন, সন্ধিয়া ৰাজহুৱা বন্তি প্ৰজ্বলন আৰু আৰতি আৰু নিশা ১০ বজাত বংশৰ প্ৰগতি সংঘ আৰু পুথিভঁৰালৰদ্বাৰা নাট্যাভিনয়। ০১ অক্টোবৰত পুৱা আইসকলৰ পানী তোলন, মহানৱমী বিহিত পূজাৰম্ভ, আইসকলৰ নাম প্ৰসংগ, হোমাদিকৃত্য, দুপৰীয়া ৰাজহুৱা স্তৱ পাঠ, পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ, বিয়লি ওজাপালি পৰিৱেশন, সন্ধিয়া ৰাজহুৱা বন্তি প্ৰজ্বলন আৰু আৰতি আৰু নিশা ১০ বজাত হৰিহৰ নাট্য গোষ্ঠী, বংশৰ (বেলৰতল)ৰদ্বাৰা নাট্যাভিনয়। ০২ অক্টোবৰত পুৱা দশমী বিহিত পূজাৰম্ভ আৰু দেৱীৰ ঘট বিসৰ্জন, অপৰাজিতা পূজা, বিয়লি দেৱীৰ প্ৰতিমালৈ শোভাযাত্ৰা আৰু প্ৰতিমা বিসৰ্জন দিব বুলি সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিৰ সভাপতি ভুৱনেশ্বৰ কাকতি আৰু সম্পাদক নৱজ্যোতি বৈশ্যই জনাইছে। ইফালে ঐতিহাসিক বংশৰ শ্ৰীশ্ৰী ভৃংগেশ্বৰ দেৱালয়ত আহোম যুগৰ পৰা অনুষ্ঠিত কৰি অহা দুৰ্গা পূজা এইবেলিও শক্তিপীঠ শ্ৰীশ্ৰীভৃংগেশ্বৰ দেৱালয়ত ব্যাপক আয়োজনৰে অনুষ্ঠিত কৰিব বুলি দেৱালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি ৰমেশ দাস আৰু মন্দিৰৰ দলৈ দ্বীজেন শৰ্মাই জনাইছে।

# ঐতিহাসিক শ্ৰীশ্ৰী নৰোৱা কুজিসত্ৰত জন্মাষ্টমী আৰু নন্দোৎসৱ পালন




**জয়ন্ত মুদৈ, নগাঁও ঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও আৰু মৰিগাঁও জিলাৰ সীমান্তত অৱস্থিত ঐতিহাসিক শ্ৰীশ্ৰী নৰোৱা কুজিসত্ৰটো বিগত বৰ্ষবোৰৰ দৰে এইবেলিও সত্ৰীয়া পৰম্পৰা অনুযায়ী শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আৰু নন্দোৎসৱ বেছ ওলহ-মালহেৰে পালন কৰা হয়। আচলতে, এই প্ৰাচীন মহাপুৰুষীয়া সত্ৰখনত বছৰ বছৰ ধৰি উদ্‌যাপিত হৈ অহা বিভিন্ন উৎসৱ-পাৰ্বণসমূহৰ ভিতৰত জন্মাষ্টমী আৰু নন্দোৎসৱ অন্যতম। সেয়ে এই উৎসৱ উপলক্ষে সত্ৰৰ চৌহদত ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিৰে এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হোৱাৰ বিপৰীতে খোল-প্ৰসংগ আৰু নাম-কীৰ্তনৰ মন-প্ৰাণ পুলকিত কৰা অমল ধ্বনিৰ লগতে আধ্যাত্মিক ৰীতি-নীতিৰ সমাহাৰে সত্ৰৰ ভূমি জীপাল হৈ পৰে। জানিব পৰা মতে, পৰম্পৰা অনুসৰি শনিবাৰৰ নিশা গীত-প্ৰসংগ, কাকুতি ঘোষা আৰু কীৰ্তনৰে জন্মাষ্টমীৰ শুভাৰম্ভ কৰি দেওবাৰে পুৱা সত্ৰৰ গোবিন্দ হৰি কৃষ্ণ মহাপ্ৰভূক স্নান আৰু নৱ বস্ত্ৰ পৰিধান কৰোৱা হয়। পৰৱৰ্তী পৰ্যায়ত কৃষ্ণ মহাপ্ৰভূক ভকত-বৈষ্ণৱৰ সেৱাৰ অৰ্থে মনিকূটৰ পৰা শংখ, ঘন্টা, দবা, কাঁহ, খোল, তালৰ দেৱ বাদ্যধ্বনিৰ মাজেৰে সত্ৰৰ কীৰ্তন ঘৰলৈ উলিয়াই অনা হয়। পিছত পৰ্যায়ক্ৰমে আয়তীসকলৰ নাম, খোল-প্ৰসংগ, ভাগৱত পাঠ, পূজা-অৰ্চনাৰ লগতে নাম-কীৰ্তন পৰিৱেশনেৰে আকাশ-বতাহ মুখৰিত কৰি তোলা হয়। ইফালে, পৰম্পৰাগত ৰীতি-নীতিৰ মাজেৰে সোমবাৰে নন্দোৎসৱ উদ্‌যাপন কৰা হয় বুলি সত্ৰখনৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামীয়ে জানিবলৈ দিছে।

# নগাঁৱত একল অভিযানৰ ব্যস দক্ষতা বৰ্গৰ সামৰণি



**জয়ন্ত মুদৈ, নগাঁও ঃ** একল অভিযান পূৰ্বোত্তৰ প্ৰভাগৰ অন্তৰ্গত পশ্চিম পূৰ্বোত্তৰ সম্ভাগৰ উদ্যোগত অনুষ্ঠিত ব্যস দক্ষতা বৰ্গৰ দেওবাৰে সামৰণি পৰে। যোৱা ১০ ছেপ্টেম্বৰৰ পৰা নগাঁও চহৰৰ হয়বৰগাঁৱৰ মহাৰাজা আগ্ৰেছন ভৱনত অনুষ্ঠিত এই অনুষ্ঠানৰ আৰম্ভণিৰ দিনা পুৱা জাগৰণ, প্ৰাতঃস্মৰণ, যোগাসন, স্বচ্চতা আৰু উপাসনাৰ অন্তত কথা প্ৰবচন কৰে প্ৰভাগৰ সহ ব্যস প্ৰমুখ বুধিন পেগু আৰু কেন্দ্ৰীয় প্ৰশিক্ষণ প্ৰমুখ তিলক চন্দ্ৰই। ইয়াৰ পিছত অভ্যাস সত্ৰ, অভিযানৰ সাংগঠনিক বিষয়, বৌদ্ধিক সত্ৰ আৰু সমীক্ষা সত্ৰ অনুষ্ঠিত হয়। ইফালে, দেওবাৰে সন্ধিয়া অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে নগাঁও অঞ্চল সমিতিৰ অধ্যক্ষ ৰাধাৰমণ খাটোৱালে। পাঁচদিনীয়া আয়োজিত এই বৰ্গৰ সামৰণি অনুষ্ঠানত পূৰ্বোত্তৰ প্ৰভাগৰ গতিবিধি প্ৰমুখ মন্টু গঞ্জু, পশ্চিম পূৰ্বোত্তৰ সম্ভাগৰ অভিযান প্ৰমুখ কান্তি বড়ো, অঞ্জলি বসুমতাৰী, বাচাপি ৰংপিপি, মধ্য অসম ভাগৰ অভিযান প্ৰমুখ ফিৰোজ দলে, নগাঁও সমিতিৰ সচিব ৰতন কুমাৰ বাগাৰিয়া, যুগল কিশোৰ জাজোৰীয়া, দিলীপ আগৰৱালা, অজয় মাহটো, সাংবাদিক দিব্যজ্যোতি বৰুৱা, মধ্য অসম ভাগৰ ৰথ যোজনা প্ৰমুখ মনজিৎ নায়ককে প্ৰমুখ্য কৰি বহু কেইগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

শাৰদীয় দূৰ্গা পূজাৰ শুভেচ্ছাৰে...

সমূহ অসমবাসী ৰাইজৰ লগতে নগাঁওবাসী ৰাইজলৈকো মোৰ ফালৰ পৰা শাৰদীয় দূৰ্গা পূজাৰ হিয়াভৰা শুভেচ্ছা জনালোঁ।




নিখিল নাৰায়ণ বৰুৱা
জিলা কৃষি বিষয়া, নগাঁও

# দেওধৰ পঞ্চায়তৰ ধৰ্মীয় অনুষ্ঠানৰ অসম দৰ্শন আচঁনিৰ কামৰ শুভাৰম্ভ বিধায়ক শশীকান্ত দাসৰ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** জগতগুৰু মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱ গুৰুজনাই অসমীয়া জাতিৰ বাবে নামঘৰ প্ৰতিষ্ঠা কৰি সম্বন্ধয়ৰ ভেটি গঢ়িছিল। এই বক্তব্য ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসৰ। পবিত্ৰ ভাদ মাহৰ সৈতে সংগতি ৰাখি সমষ্টিবাসী ৰাইজৰ সৈতে সমষ্টিৰ নামঘৰসমূহত উপস্থিত হৈ প্ৰভূৰ অভয় চৰণত সেৱা জনাই বিধায়ক শশীকান্ত দাসে এইদৰে কয়। মংগলবাৰৰ দিনটোত বিধায়ক শশীকান্ত দাসে ৰহা সমষ্টিৰ অন্তৰ্গত দেওধৰ গাঁও পঞ্চায়তৰ বহুকেইটা নামঘৰত উপস্থিত হৈ ভকতবৈষ্ণৱৰ পৰা সেৱা লোৱাৰ লগতে অসম দৰ্শন আচঁনিৰ অধীনত আৰম্ভ হ'বলগীয়া নামঘৰ উন্নীতকৰণ কামৰ শুভাৰম্ভ কৰে। বিধায়ক গৰাকী উপস্থিত হোৱা নামঘৰসমূহ হৈছে ক্ৰমে- হাতীপাৰা ২নং নামঘৰ, মৰিকলং বেবেজীয়া নামঘৰ, হাতীপাৰা বৰনামঘৰ, ওপৰ পাথৰি শংকৰী বিকাশ কেন্দ্ৰ, মৌখাটি ১নং নামঘৰ, শ্ৰী মন্ত শংকৰদেৱ নামঘৰ দেওধৰ চাৰিআলি, ওপৰ পাথৰি টাই-আহোম নামঘৰ, মৌখাটি ২ নং নামঘৰ, দেওধৰ পাখিমৰীয়া ১নং আৰু ২নং নামঘৰ, দেওধৰ নামঘৰ আৰু ওপৰ দেওধৰ নামঘৰ, ৰণথলি ১নং নামঘৰ, ৰণথলি ২নং নামঘৰ, ৰনথলি ৩ নং আৰু ৪ নং নামঘৰ, ৰণথলি আদৰ্শ গাঁও নামঘৰ, পশ্চিম জলাহ বৰখেল নামঘৰ, পশ্চিম জলাহ বুঢ়া নামঘৰ, ২নং জলাহ বৰ নামঘৰ, ২নং জলাহ ঘূৰীয়া নামঘৰ, ১নং জলাহ বৰ নামঘৰ, বায়ন চুবুৰী নামঘৰ, হাঁহিলা পাৰ নামঘৰ, ওপৰ উজৰা বৰ নামঘৰ, শংকৰী কৃষ্টি বিকাশ কেন্দ্ৰ, ভাটি উজৰা নামঘৰ, শংকৰী কৃষ্টি বিকাশ কেন্দ্ৰ, উজৰা গাঁও, বৈদিক চৰ্চা কেন্দ্ৰ, উজৰা গাঁও, বৰ পাথৰি পানীগাওঁ বৰ নামঘৰ, বৰপাথৰি পানীগাওঁ সৰু নামঘৰ, ঘূৰীয়া গাঁও নামঘৰ, দক্ষিণ সুতাৰ নামঘৰ, ভোটাই গাঁও নামঘৰ, বৰপাথৰি সুতাৰ গাঁও কীৰ্ত্তনঘৰ, সৰু পানীগাওঁ নামঘৰ, সুতাৰ গাঁও কীৰ্ত্তনঘৰ, বৰপাথৰি সুতাৰ ১নং বৰনামঘৰ, টাঙোন ধৰা নামঘৰ, মাধৱদেৱ আঞ্চলিক শাখা সংঘ উল্লেখযোগ্য। এই সময়ছোৱাত বিধায়ক শশীকান্ত দাসৰ সৈতে উপস্থিত থাকে পাখিমৰীয়া জামুগুৰি মণ্ডলৰ সভাপতি উজ্বল জ্যোতি বৰা, পাখিমৰীয়া জামুগুৰি জিলা পৰিষদৰ সদস্য অৰ্ণৱ দাস, দেওধৰ পঞ্চায়তৰ সভাপতি ৰক্তিম জ্যোতি বৰা, আঞ্চলিক সদস্যা সংগীত ভূঞা, চাপৰমুখ পঞ্চায়তৰ প্ৰাক্তন সভাপতি জৰ্ণাদন শইকীয়া, মণ্ডলৰ সম্পাদক দ্বয় তথা মণ্ডলৰ বিষয় ববীয়াসকল লগতে দেওধৰ পঞ্চায়তৰ ৱাৰ্ড সদস্যসকল আৰু দলীয় কাৰ্যকৰ্তা সকলৰ লগতে নামঘৰ সমূহৰ বিষয়ববীয়াসকল ভকত বৈষ্ণৱসকলৰ লগতে আইমাতৃসকল উপস্থিত থাকে। আনহাতে, যোৱা সোমবাৰে বিধায়ক শশীকান্ত দাসে 'অসম দৰ্শন ২০২৪-২৫' বৰ্ষৰ আঁচনিৰ অধীনত জামুগুৰি কুজীডাঁহ গাঁও পঞ্চায়তৰ অন্তৰ্গত লঠাবড়ি আঁহততল নামঘৰৰ উন্নতিকৰণ কাৰ্যৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ দ্বাৰা ৰূপায়িত 'অসম দৰ্শন' আঁচনিখনে অসমৰ ধৰ্মীয় অনুষ্ঠান, নামঘৰ ইত্যাদিৰ সমূহৰ আন্তঃগাথঁনিৰ সুদৃঢ়কৰণৰ দিশত যি অৰিহণা তথা প্ৰয়াস কৰিছে সেয়া সঁচাকৈ প্ৰশংসনীয় বুলি ৰাইজে মতপোষণ কৰিছে। ইয়াৰ দ্বাৰা অসমীয়া জাতীয় জীৱনৰ আধ্যাত্মিক পীঠস্থান সমূহক নতুন ৰূপ প্ৰদান কৰাত বহুখিনি সহায়ক হ'ব বুলি উল্লেখ কৰে।

শাৰদীয় দূৰ্গা পূজাৰ শুভেচ্ছাৰে...

সমূহ অসমবাসী ৰাইজৰ লগতে নগাঁওবাসী ৰাইজলৈকো মোৰ ফালৰ পৰা শাৰদীয় দূৰ্গা পূজাৰ হিয়াভৰা শুভেচ্ছা জনালোঁ।




নাজিৰ হুছেইন
National Executive Member BJP
Guwahati

# জন্মাষ্টমী ঃ শ্ৰীকৃষ্ণৰ প্ৰেম আৰু জ্ঞানৰ আধ্যাত্মিক যাত্ৰা

■ সত্যব্ৰত বৰা

**জ**ন্মাষ্টমী হৈছে ভগৱান শ্ৰীকৃষ্ণৰ জন্মদিনটোৰ পৱিত্ৰ উৎসৱ। অতি উৎসাহ আৰু ভক্তিৰে পালন কৰা হয় দিনটো। এই উৎসৱ কেৱল এটা ধৰ্মীয় অনুষ্ঠান নহয়, বৰঞ্চ ই আমাৰ হৃদয়ত থকা আধ্যাত্মিক চেতনাক জাগ্ৰত কৰাৰ এক সুযোগ। শ্ৰীকৃষ্ণৰ জন্মৰ কাহিনী আৰু তেওঁৰ জীৱনৰ শিক্ষাই আমাক জীৱনৰ গভীৰ তাৎপৰ্য আৰু আধ্যাত্মিক পথৰ সন্ধান দিয়ে। জন্মাষ্টমীৰ আধ্যাত্মিক গুৰুত্ব অতি গভীৰ, কিয়নো ই আমাক কেৱল ভক্তিৰ পথত আগবঢ়াই নিয়াই নহয় লগতে আমাৰ সংস্কৃতি আৰু পৰম্পৰাৰ সৈতেও গভীৰভাৱে জড়িত কৰে।

শ্ৰীকৃষ্ণৰ জন্মৰ কাহিনী আমাৰ বাবে এক প্ৰেৰণাদায়ক আধ্যাত্মিক বাৰ্তা। মথুৰাৰ কাৰাগাৰত কংসৰ অত্যাচাৰৰ মাজত দেৱকী আৰু বাসুদেৱৰ পুত্ৰ হিচাপে শ্ৰীকৃষ্ণৰ জন্ম হৈছিল। পৰিস্থিতিটোৱে আমাক বুজায় যে জীৱনৰ যিমানেই অন্ধকাৰ পৰিস্থিতি নহওক কিয়, ঐশ্বৰিক শক্তিৰ আগমণৰ জৰিয়তে আমি মুক্তি লাভ কৰিব পাৰো। কাৰাগাৰৰ শিকলি আমাৰ জীৱনৰ বন্ধন যেনে ইচ্ছা, মায়া, অহংকাৰৰ প্ৰতীক। শ্ৰীকৃষ্ণৰ জন্মই আমাক শিকায় যে এই বন্ধনৰ পৰা মুক্তি লাভৰ পথ হৈছে ভক্তি আৰু আধ্যাত্মিক জ্ঞান। জন্মাষ্টমীৰ দিনটোত আমি এই বাৰ্তাৰ কথা চিন্তা কৰো আৰু জীৱনৰ অন্ধকাৰৰ পৰা পোহৰৰ পথলৈ যোৱাৰ প্ৰেৰণা লাভ কৰোঁ।

জন্মাষ্টমীৰ আধ্যাত্মিক তাৎপৰ্যৰ মূলতে আছে শ্ৰীকৃষ্ণৰ শিক্ষা। ভগৱদ্‌গীতাত সন্নিৱিষ্ট আছে এই শিক্ষা। গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক জীৱনৰ উদ্দেশ্য, কৰ্মৰ গুৰুত্ব আৰু আত্মাৰ অমৰত্বৰ বিষয়ে শিক্ষা দিছিল। তেওঁ কৈছিল, ‘কৰ্ম কৰা, কিন্তু ফলৰ প্ৰতি আসক্ত নহ’বা।’ এই নিষ্কাম কৰ্মৰ দৰ্শনে জন্মাষ্টমীৰ দিনটোত আমাক জীৱনৰ প্ৰতি এক নতুন দৃষ্টিভংগী দিয়ে। আমাৰ দৈনন্দিন জীৱনত এই শিক্ষা প্ৰয়োগ কৰিব পাৰো। কঠোৰ পৰিশ্ৰম কৰি কিন্তু ফলৰ চিন্তা নকৰি আমি মানসিক শান্তি আৰু আধ্যাত্মিক স্থিৰতা লাভ কৰিব পাৰোঁ।

শ্ৰীকৃষ্ণৰ জীৱনৰ লীলা আমাৰ বাবে আধ্যাত্মিক পথৰ এক প্ৰতীক। তেওঁৰ বাল্যকালৰ কাহিনী যেনে মাখন চুৰি কৰা, গোপীৰ সৈতে খেলা বা কংসৰ সৈতে যুদ্ধই আমাক জীৱনৰ সৰলতা আৰু আনন্দৰ শিক্ষা দিয়ে। তেওঁৰ লীলাৰ জৰিয়তে আমি বুজো যে আধ্যাত্মিকতা কঠিন বা জটিল হ’ব নালাগে। জীৱনৰ প্ৰতিটো মুহূৰ্তত আমি ঐশ্বৰিক উপস্থিতি অনুভৱ কৰিব পাৰোঁ। জন্মাষ্টমীৰ দিনটোত গাঁৱে-নগৰে ভক্তিময় ভজন, নাম-কীৰ্তন আৰু নাটকৰ জৰিয়তে এই লীলাৰ কথা পুনৰ স্মৰণ কৰা হয়। এই অনুষ্ঠানবোৰে আমাৰ হৃদয়ত ভক্তি ভাৱ উৎপন্ন কৰে।

ভক্তিৰ পথ জন্মাষ্টমীৰ এক গুৰুত্বপূৰ্ণ দিশ। শ্ৰীকৃষ্ণৰ ৰাধাৰ সৈতে প্ৰেম আৰু গোপীসকলৰ সৈতে ৰাসলীলাই আমাক আত্মাৰ পৰমাত্মাৰ সৈতে মিলনৰ প্ৰতীক দেখুৱায়। এই প্ৰেম কেৱল শাৰীৰিক নহয়, বৰঞ্চ ই এক আধ্যাত্মিক সংযোগ। জন্মাষ্টমীৰ ভজন আৰু কীৰ্তনৰ মাজেৰে আমি এই প্ৰেমৰ স্বাদ পাওঁ। নামঘৰ আৰু মন্দিৰবোৰত এই দিনটোত ভক্তসকলে একত্ৰিত হৈ শ্ৰীকৃষ্ণৰ নাম গায় আৰু তেওঁৰ প্ৰতি সম্পূৰ্ণ আত্মসমৰ্পণৰ ভাৱ জাগ্ৰত কৰে। এই ভক্তিয়ে আমাক শিকায় যে জীৱনৰ প্ৰতিটো কাম আমি ঐশ্বৰিক প্ৰেমৰ সৈতে জড়িত হৈ কৰিব পাৰো।

জন্মাষ্টমীৰ মধ্যৰাতিৰ পূজাৰো এক বিশেষ আধ্যাত্মিক তাৎপৰ্য আছে। মধ্যৰাতি শ্ৰীকৃষ্ণৰ জন্মৰ মুহূৰ্তটো অজ্ঞানৰ পৰা জ্ঞানৰ পথলৈ যোৱাৰ প্ৰতীক। ঘৰে ঘৰে ভক্তসকলে এই সময়ত উপবাস কৰে, পূজা কৰে। এই আচাৰবোৰৰ জৰিয়তে আমি আমাৰ মনৰ অশুদ্ধি ধুই পেলাওঁ আৰু ঐশ্বৰিক শক্তিৰ প্ৰতি আমাৰ হৃদয় মুকলি কৰোঁ। উপবাসৰ জৰিয়তে আমি কেৱল শৰীৰৰ শুদ্ধি নহয়, মনৰ শান্তিও লাভ কৰোঁ।

জন্মাষ্টমীয়ে আমাক সমাজৰ গুৰুত্বৰ কথাও মনত পেলায়। এই দিনটোত লোকসকল একত্ৰিত হৈ পূজা-অৰ্চনা, নাম-কীৰ্তন আৰু ৰাসলীলাৰ আয়োজন কৰে। কিছুমান স্থানত শ্ৰীকৃষ্ণৰ জীৱনৰ দৃশ্যৰ নাটকো প্ৰদৰ্শিত হয়। এই সামূহিক কাৰ্যকলাপে আমাক একতা আৰু সহযোগিতাৰ শিক্ষা দিয়ে। শ্ৰীকৃষ্ণৰ জীৱনৰ এটা গুৰুত্বপূৰ্ণ বাৰ্তা হৈছে যে আমি সকলোৰে প্ৰতি সমান দৃষ্টি ৰাখিব লাগে। তেওঁৰ শিক্ষা অনুসৰি, ঈশ্বৰৰ বাবে কোনো হীন বা শ্ৰেষ্ঠ নাই। জন্মাষ্টমীৰ বাৰ্তাই আমাক সমাজত সমতা আৰু ভাতৃত্বৰ ভাৱ জাগ্ৰত কৰে।

শ্ৰীকৃষ্ণৰ শিক্ষাৰ সাৰ্বজনীনতা জন্মাষ্টমীৰ আন এটা গুৰুত্বপূৰ্ণ দিশ। তেওঁৰ বাণী কেৱল হিন্দু ধৰ্মৰ বাবেই নহয়, সমগ্ৰ মানৱজাতিৰ বাবে প্ৰযোজ্য। তেওঁৰ শিক্ষাই আমাক জীৱনৰ সংঘাত, ভয় আৰু সন্দেহৰ মাজতো শান্তিৰ পথ বিচাৰি উলিয়াবলৈ শিকায়। জন্মাষ্টমীৰ দিনটোত আমি এই শিক্ষাৰ ওপৰত চিন্তা কৰো আৰু আমাৰ জীৱনত ইয়াক প্ৰয়োগ কৰিবলৈ চেষ্টা কৰো। আমি আমাৰ সংস্কৃতিৰ গভীৰতা আৰু আধ্যাত্মিক ঐতিহ্যৰ সৌন্দৰ্য উপলব্ধি কৰো।



জন্মাষ্টমী আমাৰ বাবে কেৱল এটা উৎসৱ নহয়, ই আমাৰ আধ্যাত্মিক যাত্ৰাৰ এক মাইলৰ খুঁটি। ই আমাক শ্ৰীকৃষ্ণৰ প্ৰেম, জ্ঞান আৰু শান্তিৰ পথত আগবঢ়াই নিয়ে। এই দিনটোত আমি আমাৰ হৃদয়ত শ্ৰীকৃষ্ণৰ উপস্থিতি অনুভৱ কৰো আৰু তেওঁৰ শিক্ষাৰ জৰিয়তে জীৱনৰ সত্যৰ সন্ধান কৰো। আমাৰ সংস্কৃতি আৰু ধৰ্মৰ সৈতে গভীৰভাৱে সংযোগ স্থাপন কৰো আৰু শ্ৰীকৃষ্ণৰ ঐশ্বৰিক প্ৰেমত ডুব যাওঁ।

# তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত মেগা স্বাস্থ্য শিবিৰ

## ১৫ দিনীয়া স্বাস্থ্য শিবিৰৰ আয়োজন





**ৰমেন ভৰালী, বংশৰ ঃ** ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য আয়ুক্তৰ নিৰ্দেশ মৰ্মে ভাৰতৰ প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদীৰ ৭৫ সংখ্যক জন্মদিন উপলক্ষে তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ উদ্যোগত যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা ১৫ দিনীয়াকৈ (দুই অক্টোবৰলৈ) মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হৈছে। পুৱা ৯.৩০ বজাত তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ অধ্যাপক ডাঃ কৰুণা হাজৰিকাই মেগা স্বাস্থ্য শিবিৰটি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। মেগা স্বাস্থ্য শিবিৰ উদ্বোধন কৰি তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ অধ্যাপক ডাঃ কৰুণা হাজৰিকাই কয় যে সুস্থ নাৰী, শক্তিশালী পৰিয়াল শীৰ্ষক অভিযানত এই মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হৈছে। এই স্বাস্থ্য শিবিৰত নাৰীসকলক আহি নিজৰ নিজৰ স্বাস্থ্য পৰীক্ষা কৰি সৱল হ’বলৈ আহ্বান জনায়। তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ মেগা স্বাস্থ্য শিবিৰত ৰক্তচাপ, ৰক্তহীনতা আৰু ডাইবেটিচ মহিলা ৰোগীসকলক স্বাস্থ্য পৰীক্ষা কৰা হয়। মেগা স্বাস্থ্য শিবিৰত তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধীক্ষক অধ্যাপক ডাঃ ৰূপম বৰগোহাঁই, চাৰ্জাৰী বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ ধীৰেন্দ্ৰনাথ চৌধুৰী, মেডিচিন বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ দ্বীজেন দাস, অধ্যাপক ডাঃ দিলীপ শালৈ, অধ্যাপক ডাঃ নিৰুপ্ৰভা চহৰীয়া, অধ্যাপক ডাঃ গীতাঞ্জলি গগৈ, অধ্যাপক ডাঃ বৰ্ণালী দাস, সহযোগী অধ্যাপক ডাঃ নিতু গগৈ, ডাঃ দিগন্ত বুঢ়াগোহাঁই, ডাঃ আকাশ প্ৰতিম ভূঞা, চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ অৰ্জিত দত্ত, ডাঃ চফিকুল ইছলাম, ডাঃ মানৱজ্যোতি তালুকদাৰ, ডাঃ নিতাশ্ৰী কোঁৱৰ, তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নাচিং অধীক্ষক গিৰীজা কুমাৰ, তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ কৰ্মচাৰী ৰমেন ভৰালী, জয়ৰাজ শইকীয়া, বিকাশ কুমাৰ শৰ্মা, কুমুদ মালাকাৰ, আহমেদ আলী আদি উপস্থিত আছিল। মেগা স্বাস্থ্য শিবিৰৰ উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে সহকাৰী অধ্যাপক ডাঃ ডিম্পী লহকৰে।

# নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ৬৪ তম প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণি সভা উদ্‌যাপন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** মধ্য অসমৰ নাৰী শিক্ষাৰ এখনি অগ্ৰণী প্ৰতিষ্ঠান নগাঁও ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস তথা নৱাগত আদৰণি সভাৰ সামৰণি পৰে। ১৯৬২ চনৰ ১২ ছেপ্তেম্বৰত প্ৰতিষ্ঠা হোৱা এই মহাবিদ্যালয়খনৰ ৬৪ তম প্ৰতিষ্ঠা দিৱসটি বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়খনৰ নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° তোযেশ্বৰ নাথে পতাকা উত্তোলন কৰি প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতে স্মৃতি তৰ্পণ কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষা মৰমী গায়নে। অধ্যাপকদ্বয় ড° মৃদুলা কাশ্যপ আৰু আশিষ শইকীয়াই আঁত ধৰা কাৰ্যসূচীত অধ্যক্ষ ড° কুলেন চন্দ্ৰ দাসে বন্তি প্ৰজ্বলন কৰাৰ পাছতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মহেশ চন্দ্ৰ দেৱগোস্বামীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ ছাত্ৰী অনিন্দিতা বৰাৰ এটি লোকগীতেৰে প্ৰতিষ্ঠা দিৱসৰ মূল কাৰ্যসূচী মুকলি সভা আৰু মহেশ চন্দ্ৰ দেৱগোস্বামী স্মাৰক বক্তৃতানুষ্ঠান আৰম্ভ হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অধ্যক্ষ মহোদয়ে আৰু স্মাৰক বক্তৃতা প্ৰদান কৰে গুৱাহাটী আই আই টিৰ বায়’ছায়েন্সেছ আৰু বায়’ইঞ্জিনীয়াৰিং বিভাগৰ মুৰব্বী অধ্যাপক ড° উৎপল বৰাই। প্ৰকৃতি সুৰক্ষাৰ বাবে অহোপুৰুষাৰ্থ কৰা বিশ্বৰ সাতগৰাকী প্ৰকৃতিবিদ নাৰীৰ প্ৰসঙ্গৰে তেখেতে এটি তত্ত্বগধুৰ বক্তৃতাৰে উপস্থিত সকলোকে আপ্লুত কৰে। মহাবিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী, ছাত্ৰী, প্ৰাক্তন শিক্ষক-কৰ্মচাৰী উপস্থিত থকা এই সভাখনত শৈক্ষিক পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ছাত্ৰীসকলক বিভিন্ন বঁটা প্ৰদান কৰি উদ্‌গনি যোগোৱাৰ লগতে মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা সভাত উপস্থিত প্ৰাক্তন শিক্ষক-কৰ্মচাৰীসকলকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অসম চৰকাৰৰ দ্বাৰা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বঁটা লাভ কৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠা অধ্যাপিকা ড° অমিয়া পাটৰক মহাবিদ্যালয় কৰ্তৃপক্ষই সম্বৰ্ধনা জ্ঞাপন কৰে। এই সভাতে মহাবিদ্যালয়ৰ বিভিন্ন অধ্যাপক-অধ্যাপিকাৰ দ্বাৰা লিখিত আৰু সম্পাদিত তথা মহাবিদ্যালয়ৰ অনুবাদ আৰু প্ৰকাশন কেন্দ্ৰৰ উদ্যোগত প্ৰকাশিত সাতখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। ড° তোযেশ্বৰ নাথে সভাপতিৰ ভাষণত মহাবিদ্যালয়ৰ অধ্যক্ষ সমন্বিতে শিক্ষক আৰু ছাত্ৰীসকলৰ প্ৰচেষ্টাৰ শলাগ লয়। ভূগোল বিভাগৰ সহকাৰী অধ্যাপিকা ড° নাজনিন আখতাৰৰ শলাগৰ শৰাই জ্ঞাপনেৰে মুকলি সভাৰ অন্ত পৰাৰ পাছত বিয়লি ৩ বজাত মহাবিদ্যালয়ৰ সাংস্কৃতিক গোট ব’হেমিয়ান চ’লচৰ উদ্যোগত ছাত্ৰীসকলে মঞ্চস্থ কৰে উইলিয়াম শ্বেক্সপিয়াৰৰ মাৰ্চেন্ট অৱ ভেনিচ নাটকৰ অসমীয়া নাট্যৰূপ। সন্ধিয়া ৬ বজাৰ লগে লগে মহাবিদ্যালয় প্ৰাঙ্গণত হোৱা বন্তি প্ৰজ্বলনেৰে প্ৰতিষ্ঠা দিৱসৰ দিনজোৰা কাৰ্যসূচীৰ অন্ত পৰে। ইপিনে নৱাগতা আদৰণি সভাৰ লগতে এখনি সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হয়। শিক্ষা বিভাগৰ অধ্যাপিকা ড° জোনালী মুদৈয়ে আঁত ধৰা সভাখন শুভাৰম্ভ হয় ছাত্ৰী সংযুক্তা দাসে পৰিৱেশন কৰা এটি বৰগীতেৰে।




Janasanyog RO no 2127/25/19-September-25

# পৰেশ বৈশ্য ফাউণ্ডেচনৰ শিক্ষা-সাংবাদিকতাৰ দিন উদ্‌যাপন

## শ্ৰেণীকোঠাত জীৱনক পৰীক্ষা কৰাৰ সুযোগ নাথাকে ঃ ড° দয়ানন্দ পাঠক



**ৰমেন ভৰালী, বংশৰ ঃ** শিক্ষা-সাংবাদিকতাৰ উত্তৰণ আৰু সামাজিক পৰিৱৰ্তনৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনৰ ১৮ সংখ্যক শিক্ষা-সাংবাদিকতাৰ দিনটো ১৫ ছেপ্টেম্বৰত গুৱাহাটী প্ৰেছ ক্লাবত উদ্‌যাপন কৰা হয়। 'যিবোৰ কথা শ্ৰেণীকোঠাত শিকোৱা নহয়' শীৰ্ষক বিষয়বস্তুক লৈ উদ্‌যাপন কৰা এই বিশেষ কাৰ্যসূচীত ভাগ লৈ বিশিষ্ট শিক্ষাবিদ ড° দয়ানন্দ পাঠকে কয় যে বৰ্তমানৰ আনুষ্ঠানিক শিক্ষানুষ্ঠানৰ শ্ৰেণীকোঠাসমূহ ক্ৰমাৎ নম্বৰ দিয়া কাৰখানাৰ দৰে হৈ পৰিছে। তেনে শ্ৰেণীকোঠাত জীৱনক পৰীক্ষা কৰাৰ সুযোগ নাথাকে। আনুষ্ঠানিক শিক্ষাৰ শ্ৰেণীকোঠাত এতিয়া নম্বৰ আৰু কেৰিয়াৰ সৰ্বোচ্চ আলোচনাইহে অগ্ৰাধিকাৰ পায়। দক্ষতাৰ বিকাশ, মানৱীয় মূল্যবোধ, ব্যৰ্থতাৰ পৰা শিক্ষা গ্ৰহণ আৰু ভয়ৰ পৰা মুক্ত হোৱাৰ অনুশীলন সাম্প্ৰতিক কালৰ শ্ৰেণীকোঠাত অবিদ্যমান। সভাত ভাষণ দি বিশিষ্ট ইতিহাসবিদ ড° গজেন্দ্ৰ অধিকাৰীয়ে কয় যে পৰেশ বৈশ্য ফাউণ্ডেচনে শিক্ষা-সাংবাদিকতাৰ উত্তৰণ আৰু সামাজিক পৰিৱৰ্তনৰ দিশত বিগত সময়ছোৱাত এক ইতিবাচক আন্দোলন আৰম্ভ কৰিছে। তেওঁ কয় যে ভৱিষ্যতৰ প্ৰজন্মক ঐতিহ্যৰ শিক্ষা আৰু অসমীয়া জাতীয় জীৱনৰ যি শিপা তাৰ সন্ধান দিয়াটো অতি জৰুৰী হৈ পৰিছে। তেখেতে আমাৰ আধুনিক অসমীয়া পৰিয়ালবিলাকৰ সন্তানৰ মুখত পৰা নিভাঁজ অসমীয়া সম্বন্ধবাচক শব্দৰ প্ৰয়োগ কমি অহাত আক্ষেপ প্ৰকাশ কৰে। তেখেতে পৰেশ বৈশ্য ফাউণ্ডেচনে প্ৰথমবাৰৰ বাবে প্ৰকাশ বাৰ্ষিক গৱেষণাধৰ্মী নিবন্ধৰ সংকলন 'এডুকেৰে'খনো উন্মোচন কৰে। সভাত ভাষণ দি অসম বাৰ্তাজীৱী সংঘৰ উপ-সভাপতি তথা অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ উপ-সম্পাদক অঞ্জন কুমাৰ শৰ্মাই পৰেশ বৈশ্য ফাউণ্ডেচনৰ এনে প্ৰয়াসৰ শলাগ লয়। বিষয়বস্তুৰ আলোপাত কৰি এক লিখিত বক্তব্যত বিশিষ্ট নিবন্ধকাৰ জ্যোতি খাটনিয়াৰে কয় যে মনৰ সৈতে জ্ঞানৰ সংযোগ স্থাপন, প্ৰয়োজনীয় কাম আৰু জৰুৰী কামৰ মাজৰ পাৰ্থক্য নিৰূপণ আৰু আমাৰ মানসিকতাক প্ৰভাৱিত কৰা প্ৰচেষ্টাবোৰৰ কথা সাধাৰণতে আনুষ্ঠানিক শিক্ষানুষ্ঠানৰ শ্ৰেণীকোঠাত শিকোৱা নহয়। তেওঁ আৰু কয় যে পাঠ্যপুথিয়ে সাধাৰণ জ্ঞান বা তথ্যৰ যোগান ধৰিব পাৰে কিন্তু মানুহৰ স্বৰূপ নিৰ্ণয়ৰ শিক্ষা শ্ৰেণীকোঠাত নাথাকে। আৰম্ভণিতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই কয় যে এই ন্যাসটোৱে সম্পূৰ্ণ ত্যাগৰ আদৰ্শৰে জনসাধাৰণৰ সেৱা আগবঢ়াই আহিছে। ন্যাসটো চৰকাৰী বা বেচৰকাৰী দান-বৰঙণি লোৱাৰ সলনি তেওঁৰ নিজৰ পেঞ্চনৰ ধনেৰে পৰিচালিত হৈ আছে বুলিও কয়। এই অনুষ্ঠানতেই পৰেশ বৈশ্য ফাউণ্ডেচনৰ ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ বিদ্যালয় বঁটা ক্ৰমে উত্তৰ লখিমপুৰ টাউন মডেল প্ৰাথমিক বিদ্যালয় আৰু গুৱাহাটীৰ নীলাচল জাতীয় বিদ্যালয়ক প্ৰদান কৰা হয়। আনহাতে ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ শিক্ষক বঁটা ক্ৰমে কামৰূপৰ পিয়লিখাটা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অতুল চন্দ্ৰ দাস আৰু চৰাইবাহীৰ শংকৰদেৱ বিদ্যা নিকেতনৰ উপ-প্ৰধান আচাৰ্যা নিজৰা পাটৰক প্ৰদান কৰা হয়। বঁটা হিচাপে ফুলাম গামোচা, চেলেং, ফুলাম জাপি, প্ৰমাণ-পত্ৰ, গ্ৰন্থ আৰু ট্ৰফী প্ৰদান কৰা হয়। সভাত সমাজকৰ্মী ঘনশ্যাম শইকীয়াই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। এই অনুষ্ঠানতেই ৰামদিয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী সৰস্বতী দত্ত আৰু ৰামদিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী কিৰণ দাসক পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূদন মেধি, সাংবাদিক দিলীপ মেধি, মুনীন ডেকা, কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি প্ৰকাশ ডেকা, প্ৰবীণ কুমাৰ দাস, সমাজকৰ্মী বৰুণ চন্দ্ৰ মালাকাৰ, ড° দীনেশ কাকতি, বীৰেণ বৰা, শিল্পী ধনঞ্জয় শৰ্মা, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, ড° জগন্নাথ পাটগিৰী, পৰেশ বৈশ্য ফাউণ্ডেচনৰ ন্যাসৰক্ষী পূৰ্ণিমা দাস বৈশ্য প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত নীলাচল জাতীয় বিদ্যালয়ৰ তৰফৰ পৰা শ্ৰুতি মাধুৰ্যই পৰিৱেশন কৰা ভূপেন্দ্ৰ সংগীতে সকলোকে আপ্লুত কৰে। অনুষ্ঠানত বঁটা প্ৰাপকসকলে বঁটা গ্ৰহণ কৰি মনৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতে হেল্প টু হেল্প গ্ৰুপ আৰু নীলাচল জাতীয় বিদ্যালয়ে পৰেশ বৈশ্যৰ জন্মদিনৰ শুভেচ্ছা জনায়।

# নগাঁৱত ড্ৰোণ প্ৰযুক্তিৰ সহায়ত কৃষিভূমিত নেন' ফাৰ্টিলাইজাৰৰ প্ৰয়োগৰ প্ৰদৰ্শনী




**জয়ন্ত মুদৈ, নগাঁওঃ** শেহতীয়াভাৱে কৃষকসকলৰ সুবিধাৰ্থে উপলব্ধ হৈছে কৃষিভূমিৰ উৰ্ব্বৰতা বৃদ্ধিৰ বাবে প্ৰয়োগ কৰা সাৰৰ ক্ষুদ্ৰতম সংস্কৰণ নেন' ফাৰ্টিলাইজাৰ(Nano Fartilisers)। ইয়াৰ সূক্ষ্ম কণা, উচ্চ শোষণ ক্ষমতা, নিয়ন্ত্ৰিত পুষ্টি সৰবৰাহ, কম পৰিমাণৰ ব্যৱহাৰ, পৰিৱেশ অনুকূল, উন্নত মানদণ্ডৰ, পৰিবহণৰ সুবিধা আদি বিভিন্ন কাৰকৰ বাবে নেন' ফাৰ্টিলাইজাৰ কৃষি পথাৰত প্ৰয়োগৰ ক্ষেত্ৰত সুবিধাজনক হিচাপে বিবেচিত হৈছে। সেয়ে কৃষকসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি মঙলবাৰে নগাঁও জিলাৰ শিমলুগুৰিস্থিত কৃষি বিজ্ঞান কেন্দ্ৰত এই নেন' ফাৰ্টিলাইজাৰ ড্ৰোণ প্ৰযুক্তিৰ সহায়ত কৃষি পথাৰত প্ৰয়োগৰ এটি প্ৰদৰ্শনী অনুষ্ঠিত কৰা হয়। এই উদ্দেশ্যে অনুষ্ঠিত হোৱা সভাখনিত নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই অংশগ্ৰহণ কৰি কয় যে- বৰ্তমান সময়ত কৃষকসকলে কৃষিৰ যান্ত্ৰিকীকৰণ, নেন' ফাৰ্টিলাইজাৰ, ড্ৰোণৰ ব্যৱহাৰ আদি আধুনিক তথ্য প্ৰযুক্তিৰ প্ৰয়োগৰ জৰিয়তে সময় আৰু অৰ্থৰ সদ্ব্যৱহাৰ কৰি উৎপাদন বৃদ্ধি কৰিব পাৰে। ৰাসায়নিক সাৰ ব্যৱহাৰ কৰি পঞ্জাৱকে আদি কৰি বিভিন্ন ঠাইত জনসাধাৰণৰ দুৰাৰোগ্য ৰোগ আদি বৃদ্ধি পোৱাৰ বিপৰীতে মাটিৰ গুণাগুণ নষ্ট হৈছে। ইয়াৰ পৰিৱৰ্তে নেন' ফাৰ্টিলাইজাৰ ব্যৱহাৰ কৰি এতিয়া কৃষকৰ স্বাস্থ্য আৰু মাটিৰ স্বাস্থ্য ৰক্ষা কৰি নতুন প্ৰজন্মৰ বাবে ধৰিত্ৰী ৰক্ষা কৰিব লাগে। নগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ পশু বিজ্ঞান বিশেষজ্ঞ ড° অনিমেশ ডেকাই আঁত ধৰা সভাখনিত কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰধান বিজ্ঞানী তথা মুৰব্বী ড° ভবেশ চন্দ্ৰ ডেকাই আদৰণি ভাষণ প্ৰদান কৰি কয় যে- আমাৰ দেশত ৰাসায়নিক সাৰ প্ৰস্তুত কৰোতে কেঁচা সামগ্ৰী বিদেশৰ পৰা আমদানি কৰিব লাগে। যাৰ পৰিপ্ৰেক্ষিতত কোটি কোটি টকা ব্যয় হয়। তাৰ বিপৰীতে নেন' ফাৰ্টিলাইজাৰত এই অৰ্থ ৰাহি হ'ব। তদুপৰি প্ৰয়োগৰ সুবিধা, পৰিৱেশত সাৰৰ কুপ্ৰভাৱ ৰক্ষা আৰু কৃষকৰ খৰছ কমাবলৈ নেন' ফাৰ্টিলাইজাৰ অতিকে গুৰুত্বপূৰ্ণ। গাম্ভীৰ্যপূৰ্ণ সভাখনিত অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তপন গোহাঁই, নগাঁও জিলাৰ সহকাৰী আয়ুক্ত তেজস্ব অগ্নেহোত্ৰী, নগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যান শস্য বিশেষজ্ঞা জুলি শৰ্মা, ভূমি বিজ্ঞান বিশেষজ্ঞ দিপেন চন্দ্ৰ নাথ, সামূহিক বিজ্ঞান বিশেষজ্ঞা ড° আছফিকা ইছলাম, পাম পৰিচালক শংকু মনি শৰ্মা, প্ৰকল্প সহযোগী ৰূপক কুমাৰ টায়ে, আঁচনি সহায়ক বিষ্ণু নাৰায়ণ ফুকনকে প্ৰমুখ্য কৰি নগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ কৰ্মচাৰীসকলৰ লগতে ইফকোৰ ক্ষেত্ৰ বিষয়া পাৰ্থ শইকীয়া, ড্ৰোণ উদ্যোগী অনিশ আহমেদ, প্ৰগতিশীল কৃষক, উদ্যমীকে ধৰি শতাধিক লোক উপস্থিত থাকে।




# বঢ়মপুৰ ছহিদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ড° ভূপেন হাজৰিকাৰ জন্মজয়ন্তী উদ্‌যাপন

## প্ৰাচীৰ পত্ৰিকা 'সৃজনী' উন্মোচন



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** ৰাজ্য চৰকাৰৰ সৌজন্যত বিশ্ববৰেণ্য শিল্পী, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ বৰ্ষজোৰা জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ অংশৰূপে নগাঁও জিলাৰ বঢ়মপুৰ অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান বঢ়মপুৰ ছহিদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়তো যোৱা ৮ ছেপ্টেম্বৰত বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পুৱা ভাগত অনুষ্ঠিত এই অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়ৰ বিষয় শিক্ষক, বিশিষ্ট লেখক নয়ন জ্যোতি নেওগে। অনুষ্ঠানৰ আৰম্ভণিতে সুধাকণ্ঠৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট লোকশিল্পী, লেখক গোলাপ বৰাই। ইয়াৰ পিছত বিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলে সমস্বৰে সুধাকণ্ঠৰ অমৰ গীত 'অসম আমাৰ ৰূপহী...' পৰিৱেশন কৰে। ইয়াৰ অন্তত সুধাকণ্ঠৰ প্ৰতি উৎসৰ্গিত বিদ্যালয়খনৰ প্ৰাচীৰ পত্ৰিকা 'সৃজনী'ৰ বিশেষ সংস্কৰণটিৰ শুভ উন্মোচন কৰে সুগায়ক তথা কলংপৰীয়া শাখা সাহিত্য সভাৰ সভাপতি গোলাপ বৰাই। প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰি তেওঁ সুধাকণ্ঠৰ এটি বিশেষ গীত গাই উপস্থিত সকলোকে আপ্লুত কৰে।



# অসমীয়া জাতিৰ বিসৰ্জন নাই, আবাহনহে আছে ঃ ড° বসন্ত কুমাৰ গোস্বামী

## গহপুৰৰ খাৰৈপৰীয়াত অসম সাহিত্য সভাৰ জনগোষ্ঠীয় সমন্বয় সন্মিলন সম্পন্ন



**ৰমেন ভৰালী, বংশৰ ঃ** 'অসমীয়া জাতিৰ বিসৰ্জন নাই, আবাহনহে আছে। জনগোষ্ঠীয় এলেকাৰ কাষতে থাকি আমি জনগোষ্ঠীয় ভাষা নাজানো, আমি এক, আমাৰ সত্ত্বা এক; সেয়ে আমি ইজনে সিজনৰ ভাষা শিকিব লাগিব, নিমজ্জিত হ'ব লাগিব।' ঐক্য, শান্তি আৰু সমন্বয়ৰ সংকল্পৰে অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ উদ্যোগত বিশ্বনাথ জিলাৰ গহপুৰৰ পশ্চিম কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা জনগোষ্ঠীয় সমন্বয় সন্মিলনত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। ভাষণ প্ৰসংগত তেওঁ লগতে কয়-'মৈত্ৰী অৰ্থ হৈছে দেহ দুটা, মন এটা। অসমখন থান-বান হৈছে ৰাজনীতিকৰ বাবে, কিন্তু আমি সমন্বয়ৰ মাজেৰে একগোট হৈ থাকিবই লাগিব।' তেওঁ অসমৰ সাম্প্ৰতিক ব্যৱস্থাৰ অৱসান হোৱাৰ দায়িত্ব চৰকাৰে লওক, সমাজখন বিধ্বস্ত কৰাৰ অপশক্তি নাশ কৰক। অসম সাহিত্য সভাক কোনেও ব্যৱহাৰ কৰিব নোৱাৰিব, জাতীয় অনুষ্ঠান কৰিয়েই ৰখা দায়িত্ব আমাৰ। ভাষণত তেওঁ সন্তানসকলক অতিথিৰ দৰে ব্যৱহাৰ কৰাতকৈ অভিভাৱকসকলক তেওঁলোকক পৰিয়ালৰ সদস্যলৈ ৰূপান্তৰ কৰিবলৈও আহ্বান জনায়। অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰীবন্ধন উপ-সমিতিৰ উদ্যোগত বিশ্বনাথ জিলা সাহিত্য সভাৰ সহযোগত আৰু খাৰৈপৰীয়া স্বৰ্ণ সাহিত্য সমাজৰ আতিথ্যত দুদিনীয়া কাৰ্যসূচীৰে যোৱা ১১ আৰু ১২ ছেপ্টেম্বৰত অনুষ্ঠিত জনগোষ্ঠীয় সমন্বয় সম্মিলনৰ দ্বিতীয় দিনা অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সন্মিলনত অনুষ্ঠান আয়োজনৰ মুখ্য কথকতা কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই কয়- 'অসমৰ প্ৰতিটো থলুৱা জনগোষ্ঠীক অসম সাহিত্য সভাৰ মজিয়াত মৰ্যাদা প্ৰদান কৰা হ'ব। এই মৰ্যাদাই জাতি জনগোষ্ঠীসমূহৰ মাজত এটা সমন্বিত ৰূপ পৰিগ্ৰহ কৰিব। এই ৰূপটোৱেই হ'ব অসমীয়া জাতিৰ সমন্বিত ৰূপ। এই ৰূপ নিৰ্মাণৰ বাবে অসম সাহিত্য সভাই অহোৰাত্ৰ অৰঙে দৰঙে জনগোষ্ঠীসমূহৰ মাজত সমন্বয় সংসাধনৰ বাবে কাম কৰি আছে।' স্বজাতীয় মৈত্ৰীবন্ধন উপসমিতিৰ কাৰ্যকৰী সভাপতি বিপুল শৰ্মা বৰুৱাই আদৰণী ভাষণ আগবঢ়োৱা সভাখনত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে সভাৰ উপসভাপতি পদুম ৰাজখোৱাই। তেওঁ কয়- 'অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। ইয়াৰ প্ৰত্যেকটো জাতি-জনগোষ্ঠীৰ বিকাশ-সমৃদ্ধি হ'ব লাগিব। ভাৰত চৰকাৰ আৰু অসম চৰকাৰে প্ৰতিটো জাতি-জনগোষ্ঠীৰ বিকাশ-সমৃদ্ধিৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। চৰকাৰ যদি এখন দেশৰ বা ৰাজ্যৰ অভিভাৱক হয়, তেন্তেপ্ৰজাসমূহ হ'ব তেওঁলোকৰ সন্তানসদৃশ। এই সন্মানসমূহৰ মনৰ বেদনা বুজিবলৈ চেষ্টা কৰিব লাগিব চৰকাৰে। জনগোষ্ঠীসমূহৰ মনৰ বেদনা বুজিবলৈ যত্ন কৰিব লাগিব। ৰাষ্ট্ৰই দিয়া সুবিধাসমূহ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে পাব লাগিব। ভাষণত উল্লেখ কৰি ৰাজখোৱাই মৰাণ-মটক, কোচ-ৰাজবংশী আদি জনগোষ্ঠীসমূহকো জনজাতিৰ মৰ্যাদা প্ৰদান কৰিবলৈ ভাৰত চৰকাৰক অনুৰোধ জনায়। স্বজাতীয় মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক ৰমেন ভৰালী আৰু আদৰণী সমিতিৰ সম্পাদক তথা স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ সহযোগী আহ্বায়ক দীপক হাজৰিকাই যুটীয়াভাৱে আঁত ধৰা সভাখনত আমন্ত্ৰিত অতিথিবৃন্দ ক্ৰমে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা, সদৌ অসম নেপালী সাহিত্য সভাৰ সভাপতি ড° চিন্তামণি শৰ্মা, মিচিং আগম কেবাঙৰ সচিব সোমেশ্বৰ কপ্তাক, মিচিং কেন্দ্ৰীয় সাংস্কৃতিক সভাৰ উপ-সভাপতি ভৰত মিলি, চাহ জনজাতি ছাত্ৰ সন্থাৰ সম্পাদক নিলোৎপল ৰবি দাস, অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য ধীৰেন শৰ্মা, অনুবাদ প্ৰকল্পৰ সঞ্চালক হৃদয়ানন্দ গগৈ, সাংগঠনিক সম্পাদক দুলাল নাথ, কেন্দ্ৰীয় প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, কবি সন্মিলন উপ-সমিতিৰ আহ্বায়ক নৱ ৰাজন, আকাশ উপ-সমিতিৰ আহ্বায়ক মানসী শইকীয়া, লখিমপুৰ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক সঞ্জীৱ বৰা, লখিমপুৰ জিলা সাহিত্য সভাৰ সম্পাদক প্ৰবীণ হাজৰিকা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য উমানন্দ বৰুৱা, উপেন হাজৰিকা, গুণ ভূঞা, বিশ্বনাথ জিলা সাহিত্য সভাৰ সম্পাদক শোভন শইকীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক ধ্ৰুৱজ্যোতি বৰা, অসম সাহিত্য সভাৰ বিত্ত উপ-সমিতিৰ উপসভাপতি বংকিম বৰুৱা, বিশ্বনাথ জিলা সাহিত্য সভাৰ জিলা প্ৰতিনিধি বিপুল কুমাৰ দিহিঙীয়া, কেন্দ্ৰীয় চাহ জনগোষ্ঠীয় জলাহ সাহিত্য সভাৰ সভাপতি মঃ গোলাম ৰচুল আলী, অসম সাহিত্য সভাৰ বিজ্ঞান আৰু পৰিৱেশ বিজ্ঞান উপ-সমিতিৰ উপ-সভাপতি তৰুণ বৰুৱা, লুম্বেদাই গৱেষণা উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অপূৰ্ব ফুকন, নাট্য সাহিত্য উপ-সমিতি উপ-সভাপতি দিলীপ কুমাৰ শৰ্মা, অসম সাহিত্য সভাৰ যুৱ সংসদৰ আহ্বায়ক গৌতম গগৈ, স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ সহযোগী আহ্বায়ক সুশীল ডেকা, খাৰৈপৰীয়া শাখা সাহিত্য সমাজৰ প্ৰতিষ্ঠাপক সভাপতি অৱসৰপ্ৰাপ্ত অধ্যক্ষ থানেশ্বৰ ভূঞা, পশ্চিম কলাবাৰী উঃ মাঃ বিদ্যালয়ৰ অধ্যক্ষ কমল বৰা, অসম সাহিত্য সভাৰ 'আকাশ' উপ-সমিতিৰ আহ্বায়িকা মানসী শইকীয়া, খাৰৈপৰীয়া স্বৰ্ণ সাহিত্য সমাজৰ সম্পাদক যজ্ঞেশ্বৰ হাজৰিকা, মাজুলীৰ উত্তৰ কমলাবাৰী শাখা সাহিত্য সভাৰ সভাপতি অনুপ্ৰভা দেৱী, ডিব্ৰুগড় জিলাৰ সহকাৰী আয়ুক্ত ত্ৰিসিদ্ধ নাথ প্ৰমুখ্যে বহু সংখ্যক বিষয়ববীয়া আৰু সহস্ৰাধিক সাহিত্যপ্ৰেমীৰ উপস্থিতিত দিহানাম, মিচিং, চাহ জনজাতি, বড়ো, নেপালী জনগোষ্ঠীৰ লোক নৃত্যই সকলোকে আপ্লুত কৰে। খাৰৈপৰীয়া স্বৰ্ণ সাহিত্য সমাজে উক্ত অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক যজ্ঞেশ্বৰ ফুকনক 'খাৰৈ সৌৰভ বঁটা' প্ৰদান কৰা হয়। ইফালে, পুৱা ৮-৩০ বজাত অসম সাহিত্য সভাৰ লগতে জনগোষ্ঠীয় সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ক্ৰমে বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ গগৈ, বিশ্বনাথ জিলা নেপালী সাহিত্য সভাৰ সভাপতি লিলা তিমচিনা, মিচিং আগম কেবাঙৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য যতীন পেগু, বিশ্বনাথ জিলা কাৰ্বি সাহিত্য সভাৰ সভাপতি সুৰেন ফাংচোৱে। ৯ বজাত স্মৃতি তৰ্পণ কৰে খাৰৈপৰীয়া স্বৰ্ণ সাহিত্য সমাজৰ সভাপতি দেবেন চন্দ্ৰ পাঠক আৰু ৯-৩০ বজাত গছপুলি ৰোপণ কৰে বিশ্বনাথ জিলা সাহিত্য সভা প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য ড° নীলমণি শইকীয়াই। ১০ বজাত খাৰৈপৰীয়া কলা নিকেতনৰ পৰিচালনাত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ উদ্বোধন কৰে খাৰৈপৰীয়া কলা নিকেতনৰ সভাপতি অনিল বৰাই। পুৱা ১১-৩০ বজাত জনগোষ্ঠীয় সমন্বয় সম্মিলনৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে প্ৰজ্বলকদ্বয় ক্ৰমে খাৰৈপৰীয়া স্বৰ্ণ সাহিত্য সমাজৰ প্ৰাক্তন সভাপতি ঘনকান্ত কাকতি আৰু খাৰৈপৰীয়াৰ প্ৰবীন শিল্পী মুহিকান্ত বৰুৱাই। আদৰণি ভাষণ দিয়ে খাৰৈপৰীয়াৰ স্বৰ্ণ সাহিত্য সমাজৰ সভাপতি দেবেন চন্দ্ৰ পাঠক। ইফালে সন্মিলনৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি বৃহস্পতিবাৰে পুৱা ৯ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতিত শ্ৰদ্ধাৰ্ঘ অনুষ্ঠানৰ পিছতে ৯-৩০ বজাত পশ্চিম কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কমল বৰাৰ উদ্বোধনত ভূপেন্দ্ৰ সংগীত আৰু ভূপেন্দ্ৰ সংগীতত নৃত্য প্ৰতিযোগিতা সম্পন্ন হয়। প্ৰতিযোগিতা খনি পৰিচালনা কৰে খাৰৈপৰীয়াৰ স্বৰ্ণ সাহিত্য সমাজৰ প্ৰাক্তন সম্পাদক বীৰেন হাজৰিকাই।অসম সাহিত্য সভাৰ জনগোষ্ঠীয় সমন্বয় সন্মিলনত গ্ৰাম্যাঞ্চলৰ ৰাইজৰ অসম সাহিত্য সভাৰ প্ৰতি আস্থা বিশ্বাস আৰু শ্ৰদ্ধা দেখি অসম সাহিত্য সভাৰ কেন্দ্ৰীয় নেতৃবৃন্দই খাৰৈপৰীয়াৰ অঞ্চলৰ ৰাইজ তথা খাৰৈপৰীয়াৰ স্বৰ্ণ সাহিত্য সমাজক শলাগ জনোৱাৰ লগতে আদৰণি সমিতিৰ সম্পাদক দীপক হাজৰিকাক উক্ত অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয়।

# বিশ্ব খনিকৰ শ্ৰী শ্ৰী বিশ্বকৰ্মাই নমঃ

■ প্ৰভাত বণিয়া

**শ্ৰীশ্ৰী** বিশ্বকৰ্মা মহাপ্ৰভূৰ পূজা পৱিত্ৰ ভাদ-আহিন মাহৰ সংক্ৰান্তিত অনুষ্ঠিত হয়। আমি সকলোৱে এই কথা জানো যে দেৱতাসকলৰ ভিতৰত শ্ৰী শ্ৰী বিশ্বকৰ্মাক নিৰ্মাণৰ খনিকৰ হিচাবে পূজা অৰ্চনা কৰোঁ। বিশ্বকৰ্মাই সৰগৰ দেৱতাসকলৰ ঘৰ দুৱাৰ, ৰাজ দৰবাৰ, ৰাজধানী, প্ৰভূ ভগৱান শ্ৰীকৃষ্ণৰ দ্বাৰকা নগৰৰ অট্টালিকা নিৰ্মাণৰ জনক বুলি হিন্দু ধৰ্মাৱলম্বী সমাজে বিশ্বাস কৰি আহিছে। সেয়ে বিশ্বকৰ্মাক দেৱ শিল্পী বুলি জ্ঞান কৰা হয়। আমি বিদ্যাৰ কাৰণে দেৱী সৰস্বতী, ধন সম্পত্তিৰ কাৰণে লক্ষ্মী দেৱী, সৌন্দৰ্যৰ বাবে কাৰ্তিক, বিঘিনি নাশৰ কাৰণে সিদ্ধিদাতা গণেশ আৰু সকলো শুভ ফলাফলৰ বাবে দেৱী দুৰ্গা, ব্ৰহ্ম, মহেশ্বৰ আদি দেৱ-দেৱীক পূজা অৰ্চনা কৰি আহিছোঁ। হিন্দু ধৰ্মত ব্ৰহ্মা মহেশ্বৰ আদি দেৱ-দেৱীক ভক্তিভাৱে পূজা কৰিলে ভক্তৰ মনোবাঞ্ছা পূৰ্ণ হয় বুলি জন বিশ্বাস আছে। পূজা, হোম, যাগ-যজ্ঞ হিন্দু ধৰ্মৰ অন্যতম অংগ। বিশ্বকৰ্মাক পূজা কৰিলে মালিক, কল-কাৰখানাত নিয়োজিত মিস্ত্ৰী, কাৰীকৰ, যোগালি, শ্ৰমিক কৰ্মচাৰীসকলৰ দোপতদোপে উন্নতি হয় বুলি বিশ্বাস কৰা হয়। সেয়েহে বিশ্বকৰ্মা পূজাৰ দিনা শিল্প কৰ্ম বা অন্যান্য কল কাৰখানাত জড়িতসকলে উলাহ-মালহেৰে পূজাত অংশগ্ৰহণ কৰা দেখা যায়। পূজাৰীয়ে 'ওঁ দেৱ শিল্পী মহাভাগঃ দেৱানাং কাৰ্যসাধকঃ বিশ্ব কৰ্মান্ন মস্তভ্যাং ফলপ্ৰদ' মন্ত্ৰ ধ্বনিৰে পূজা ভাগ সম্পন্ন কৰে আৰু ভক্তসকলে বিশ্বকৰ্মা মহাপ্ৰভুৰ আশীৰ্বাদ বিচাৰি, সেৱা লয় আৰু পুৰোহিতৰ পৰা পুষ্পাঞ্জলি গ্ৰহণ কৰি কৃতাৰ্থ হয়। আমাৰ ভাৰতবৰ্ষৰ অন্যতম তীৰ্থস্থান পুৰীৰ জগন্নাথ মন্দিৰ আৰু ভগৱান বিষ্ণু প্ৰমুখ্যে বলৰাম সুভদ্ৰাৰ মূৰ্তি নিৰ্মাণ সম্পৰ্কে ধৰ্মপ্ৰাণ ৰাইজৰ মাজত এটা জনশ্ৰুতি আছে। জনশ্ৰুতিমতে এদিন কলিংগৰ ৰজা ইন্দ্ৰদুম্মই সপোনত সাগৰত কাঠ এটুকুৰা ভাঁহি অহা দেখিলে আৰু সপোনতে ৰজাক কোৱা হ'ল যে তেওঁ সেই কাঠ টুকুৰাৰে মহাপ্ৰভূ জগন্নাথৰ মন্দিৰ নিৰ্মাণ কৰিব লাগিব। পিছদিনা ৰজাই মন্ত্ৰীসকলৰ লগত আলোচনা কৰি ৰাজ্যত মিস্ত্ৰী (খনিকৰ)ৰ সন্ধানত লাগিল। অৱশেষত ওলাল ব্ৰাহ্মণৰ বেশত সাধাৰণ নিশকটীয়া লোক এজন। ইয়াকে দেখি ৰজা আচৰিত হ'ল। এই সাধাৰণ মানুহটোৱে কেনেকৈ মন্দিৰ নিৰ্মাণ কৰিব। ভাবিগুণি চাই বিষ্ণু ভক্ত ৰজাই মানুহজনক মহাপ্ৰভূ জগন্নাথৰ মন্দিৰ নিৰ্মাণ কৰিবলৈ আদেশ দিলে। মানুহজনে ৰজাক চৰ্ত বান্ধি দিলে যে যেতিয়ালৈকে মন্দিৰৰ কাম সম্পূৰ্ণ নহয় তেতিয়ালৈকে তেওঁ (খনিকৰ) মন্দিৰৰ ভিতৰত থাকিব আৰু মন্দিৰৰ দুৱাৰ খুলিব নোৱাৰিব। কথামতে কাম। কিন্তু বহুদিন, বহুমাহ, বহু বছৰ পাৰ হ'ল মিস্ত্ৰীৰ (খনিকৰ) কোনো খবৰে নাই। কি কৰি আছে কি কৰা নাই। কাম কৰাৰ কোনো উমঘামেই নাই। ৰজাই ভাবিলে খাবলৈ নেপাই বেচেৰা মিস্ত্ৰী বোধহয় মাৰি থাকিল। চৰ্ত মতে মন্দিৰৰ দুৱাৰ খুলিবও নোৱাৰে। ৰজা বৰ বিমোৰত পৰিল। অৱশেষত মন্ত্ৰী মণ্ডলীৰ লগত আলোচনা কৰি সিদ্ধান্ত হ'ল যে এসপ্তাহৰ ভিতৰত যদি মন্দিৰৰ দুৱাৰ নোখোলে তেনেহ'লে ৰজাই নিজে মন্দিৰৰ দুৱাৰ খুলি দিব। এসপ্তাহ পাৰ হৈ গ'ল তথাপি খনিকৰে মন্দিৰৰ দুৱাৰ খোলা নাই। ৰজাই আৰু তিনিদিন বাট চালে। তিনি দিন উকলি যোৱাত ৰজাই খনিকৰৰ লগত হোৱা পূৰ্বৰ চুক্তি ভংগ কৰি মন্দিৰৰ দুৱাৰ খুলি দিলে। দুৱাৰ খোলাৰ লগে লগেই ব্ৰাহ্মণৰ বেশত অহা খনিকৰ বিশ্বকৰ্মা অন্তৰ্ধান হ'ল। ৰজা ইন্দ্ৰদুম্মই দেখিবলৈ পালে যে ভগৱান বিষ্ণুকে আদি কৰি বলৰাম, সুভদ্ৰা প্ৰমুখ্যে দেৱ-দেৱীৰ মূৰ্তি অৰ্ধ নিৰ্মিত হৈ ৰ'ল। প্ৰবাদ মতে সেই কাৰণে আজিও মহাপ্ৰভূ জগন্নাথ মন্দিৰত থকা দেৱ-দেৱীৰ মূৰ্তিসমূহ অৰ্ধনিৰ্মিত ৰূপত দেখা যায়।

দেৱ শিল্পী বিশ্বকৰ্মাৰ পূজা নানা উলাহ-মালহেৰে উদ্‌যাপন কৰি ভক্ত বৃন্দই আনন্দত মতলীয়া হৈ পৰা দেখা যায়। আন দেৱ-দেৱীসকলৰ দৰে দেৱ শিল্পী বিশ্বকৰ্মাৰ পূজা অৰ্চনাৰ বাবে কোনো মন্দিৰ দেখা পোৱা নাযায়। অৱশ্যে অতি সম্প্ৰতি কামাখ্যা মন্দিৰৰ সমীপত বিশ্বকৰ্মা মন্দিৰৰ অৱস্থিতি আছে বুলি জানিব পৰা গৈছে। অসমৰ আন আন অঞ্চল বিশেষে বিশ্বকৰ্মাৰ মন্দিৰ নিৰ্মাণ কৰি থকা বুলি জানিব পৰা গৈছে। সেই বাবে পূজাৰ দিনাখন বিশ্বকৰ্মা মহাপ্ৰভূক ভক্তপ্ৰাণ ৰাইজে যেনেভাৱে পূজা অৰ্চনা কৰে তেনে পৰিৱেশ আন সময়ত পৰিলক্ষিত হোৱা দেখা নাযায়।

## আইতাৰ বৰপেৰাটো

**ড° বনিমা তালুকদাৰ**

এৰা, আইতা গুছি যোৱা আজি বহু বছৰে
হ'ল ....
আইতাৰ বৰপেৰাটো খুলিছিলো বহু বছৰৰ মূৰত এক অণুসন্ধিৎসু মনলৈ
চাৰিওফালে আহি সকলোবোৰ বহি লৈছিল...
খোলাৰ লগে লগে এটা চিনাকি গোন্ধে আমাক আমনি কৰিছিল।
সেই গোন্ধটো আছিল আইতাৰ গাত অনবৰতে লাগি থকা তামোল-পাণ আৰু জবাকুসুম তেলৰ গোন্ধ।
বৰপেৰাটোত আছিল আইতাক আমিবোৰে মাজে মাজে দিয়া কাপোৰ বোৰ, চিঠি এজাপ, কিছু গৰম কপোৰ আৰু ৰুমালত সযতনে বান্ধি থোৱা কিছু টকা...
বৰপেৰাটোৰ এফালে দেখিছিলো তামোল খুন্দা খুন্দনাটো....
যিমানে কপোৰবোৰত হাত দিছো সিমানে মনলৈ আহিছে আইতাৰ লগত কটোৱা মৰমৰ স্মৃতিবোৰ....
কপালত ডাঙৰ ৰঙা ফোটটোৰে শুৱনি আমাৰ আইতাজনী....
আমাৰ নামতি আইতাজনী.....
নিচুকনি গীত, বিয়া গীত গাই ভাগৰি নপৰা আইতাজনী..
তামোলৰ পিকৰে ৰাঙলী হৈ থকা ওঁঠৰে আমাৰ আইতাজনী...
গোটেই নিশা গৰমৰ দিনবোৰত বিচনীৰ বা দি সাধু কৈ আমাক কাল্পনিক জগতলৈ লৈ যোৱা আইতাজনী...
কেনেকৈ পাহৰিম বুকুত মেখেলাখন পিন্ধি জুহালত ডাঙৰ ডাঙৰ চৰুবোৰত বনোৱা আইতাৰ সুস্বাদু ব্যঞ্জনবোৰৰ কথা?
পাৰি জানো পাহৰিব আইতাই ৰন্ধা গুটি আলু ভাজিৰ সোঁৱাদ, নহৰু ফুটাই তেল মৰা দাইল খন, অমিতা দি বনোৱা জালুকীয়া পাৰ মাংসখন আৰু আলু খচি ৰন্ধা মাছৰ জোলখন.....
গোটেই দিন কাম কৰি ভাগৰি নপৰা আমাৰ আইতাজনী...
এৰা, আইতা আঁতৰি যোৱা এযুগে হ'ল ....
এতিয়া আইতাৰ সকলোবোৰ আমাৰ বাবে মাত্ৰ এক স্মৃতি...
হয়তো, আইতাৰ এই বৰপেৰাটোৱে বহন কৰি থাকিব বহুযুগলৈ আইতাৰ স্মৃতি...।

**ম'বাইল ঃ** ৯৪৩৫১-৪৪৭৯৪



## তুমি কোৱাৰ দৰে ভাল পাব নোৱাৰিলো

*(প্ৰিয় কবি যোগেন টাইদৰ সোঁৱৰণত)*

**ৰঞ্জন বৰ্মন,** বগীনদ

হে প্ৰিয় কবি,
তুমি কোৱাৰ দৰে ভাল পাব নোৱাৰিলো অৰণ্যক
অৰণ্যৰ সেউজীয়াক, কাণ থৈ শুনিব নোৱাৰিলো
গছৰ শিপাত বিলীন হোৱা
পূৰ্বজৰ মাত, পাহাৰৰ চূড়াবোৰ বগাই চুই চাব
নোৱাৰিলো
মেঘৰ ভ্ৰমন বিলাস
তুমি কোৱাৰ দৰে ভাল পাব নোৱাৰিলো চৰাইক
চৰাইৰ সুললিত গীতবোৰক, চৰাই চকুৰ
ধুনীয়াখিনিৰে লিখিব নোৱাৰিলো
প্ৰেমৰ কবিতা, সাজিব নোৱাৰিলো হৃদয়ত চৰাইৰ
বাহতকৈ কোমল
এটি সোণসেৰীয়া পঁজা
তুমি কোৱাৰ দৰে ভাল পাব নোৱাৰিলো নদীক
ভাল পাব নোৱাৰিলো নদীৰ বুকুত নাও বাই কোনো
অচিন নাৱৰীয়াই গোৱা ঐনিতম
কিম্বা কাবানবোৰ, ভাল পাব নোৱাৰিলো গাভৰুৰ
কঁকালত উঠি নদীৰ বুকুত
পানী তুলিবলৈ অহা চঞ্চল কলহবোৰক
তুমি কোৱাৰ দৰে ভাল পাব নোৱাৰিলো
সোণোৱালী শইচ ভূমি
শিশুবোৰৰ লৱনু মুখত সিচি দিবলৈ শস্যৰ সুগন্ধি
হুৰাই দিব নোৱাৰিলো টঙি ঘৰত উঠি জাক জাক
বালিমাহী
তুমি কোৱাৰ দৰে বুকুৰ গভীৰতাত পুঞ্জীভূত
দুখবোৰ বতাহত বিলাই দিবলৈ
পঃৰঃ আপঙৰ বাতিত চুমুক দিব নোৱাৰিলো
কাৰ্পুমপুলি ৰাতি
হে প্ৰিয় কবি,
তুমি কোৱাৰ দৰে একোকে কৰিব নোৱাৰি
চোৱা কিদৰে আধুনিকতাৰ সুউচ্চ গম্ভুজবোৰৰ
মাজতো
নিঃকিন হৈ পৰিছো আমি।

**ম'বাইল ঃ** ৯৬১৩৯-৬১৬১৫

## প্ৰেম এক সৰগীয় অনুভূতি

**ৰশ্মি ৰেখা দুৱৰা**

সঁচা অন্তৰত থিতাপি লোৱা
অকৃত্ৰিম নিভাঁজ ভালপোৱা
তাত মৰমৰ কোনো মূল্যায়ন নহয়
মৰমৰ এনাজৰীডাল
মাথোঁ গভীৰতালৈ বৈ থাকে।

প্ৰেম এক সৰগীয় অনুভূতি
ভাৱৰ আদান-প্ৰদান নহ'লেও
কিছু কথা বিশ্বাসেৰে অনুভৱ কৰিব পাৰি,
নীৰৱতাত কোনো ভাষাৰ প্ৰয়োজন নহয়
মাথোঁ দুখন সঁচা হৃদয়ৰ প্ৰয়োজন।

যিজনে প্ৰতিটো বিপদত সাহস হৈ থিয় দিয়ে
বিপথে পৰিচালিত হৈছা বুলি গা এৰা নিদি
যৎপৰোনাস্তি চেষ্টা কৰে
সৎ পথলৈ ঘূৰাই অনাৰ,

প্ৰেম কৰা নাযায়
আপোনা আপুনি প্ৰেমৰ ভাৱ জাগ্ৰত হয়,
এখন সঁচা হৃদয়ে আন এখন সঁচা হৃদয়ক
মৰমেৰে আঁকোৱালি লয়।

## শৰৎ

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

শুকুলা আকাশ
নীল শুভ আচল
আকাশত উৰন্ত মেঘ
শৰালি, ৰাজহংসৰ
শাৰী শাৰী শোভাযাত্ৰা
মেঘে মেঘে নিবিড় আলিংগন
শেৱালি-বকুলৰ সুৱাসত
সুৱাসিত মন-প্ৰাণ
কঁহুৱাৰ শুকুলা ফুলে ফুলে
মৌণ প্ৰণয়ৰ প্লাৱন আনে
বৰ্ষাৰ ক্লান্তি দূৰ কৰি
শান্ত শীতল কৰে ধৰাৰ বুকু
প্ৰকৃতিৰ বুকুলৈ শৰতে
শীতৰ নতুন প্ৰৱাহ আনে।

**ম'বাইল ঃ** ৯৪০১৮-৭৬৭২৮

## ডাৱৰৰ অভিমান

**নীলিম,** যোৰহাট

ফৰকাল আকাশখনত কলীয়া ডাৱৰে
আগুৰি থকা সেই অৰ্ধ উজ্বল জোনটোক দেখি
মনটোত যেন কিবা এটা বিষাদে খুন্দা মাৰি ধৰিছে..
জানা নে কিয়?
হয়টো তুমি নাজানা..
তুমি ভাবিছা চাগে এইয়া এজন কবিৰ
কাল্পনিক জগতৰ এটা মাথোঁ কাব্যিক কল্পনা।
হয়.. এইয়া মোৰ এটা কল্পনাই
কিন্তু কল্পনাৰ মাজেৰেই মই আকাশখনলৈ চাইছো..
জোনটোৱে ডাৱৰ ফালি ক'ব বিচৰা
কথাখিনিক মই অনুভৱ কৰিছোঁ।
ডাৱৰখিনিৰ জোনটোৰ প্ৰতি থকা ভালপোৱা আৰু
ভালপোৱাৰ মাজত মুখ উফন্দাই কৰা
অভিমানবোৰো দেখিছোঁ..
তুমি জানো কিবা অনুভৱ কৰিব পাৰিছা?
হয়টো তুমি এইখিনি অনুভৱ কৰিব নাই পৰা।
এতিয়া তুমি চোৱা চুন. আকাশ খনৰ ফালে..
মন কৰিছা নে কিবা?
চোৱা, চোৱা এতিয়া অকণমান অনুভৱৰ দৃষ্টিৰে
দেখিছা নে?
লাহে লাহেকৈ ডাৱৰ বোৰেও অভিমানবোৰ সামৰি
জোনটোৰ প্ৰতি থকা তাৰ ভালপোৱাখিনিক
ব্যক্ত কৰিছে...
দেখিছানে? ডাৱৰবোৰে জোনটোক অভিমান
কৰি এতিয়া আকৌ সেই জোনটোক
এটা মৰমৰ আলিংগন কৰিছে..
জোনটোৱে যেন সকলো পাহৰি
লাজত একেবাৰে সেন্দুৰীয়া হৈ পৰিছে..
এতিয়া জোন আৰু সেই অভিমানি ডাৱৰ খিনি
মৰমৰ ৰঙেৰে দুয়ো ৰঙীন হৈ
সেন্দুৰীয়া মৰম ফাকু খেলিছে...
এইয়াই অভিমান..।

## জানিবৰ মন যায়

**ৰূপালী চুতীয়া**
ডিব্ৰুগড়

কোনোদিনে দেখা নাই
যদিও ...
তোমাকেই প্ৰতিটো ক্ষণ
অনুভৱ কেনেকৈ কৰোঁ?
লগ পোৱাৰ আগতেই
কেনেকৈ ...
এখন হাতেৰে আন এখন
হাতৰ স্পৰ্শ বিচাৰোঁ?
মন দিয়াৰ উপৰিও
কেনেকৈ ...
এটি মনৰ কথা
আনজনে প্ৰকাশ কৰিব পাৰোঁ?
কোনোদিনে নোলোৱা
হৃদয়ৰ ...
আৱেগ অনুৰাগবোৰ
কেনেকৈ সাৱটিব জানো?
এজনে কষ্ট পালে
দুখবোৰ...
আনজনৰ অন্তৰে বাৰু
কেনেকৈ সহ্য কৰিব পাৰোঁ?

## পুষ্পিতা

**হেৰম্ব নাথ**

চিৰন্তন সত্যৰ তাগিদাত
অচিনাকি পথেৰে ধৰালৈ আগমণ
এটি সত্তাৰ
তনুত অনন্য অনুভূতি
আৰু প্ৰত্যয়
পৱিত্ৰতা মোৰ
একান্ত কাম্য
কিয়নো
মই পুষ্পিতা।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

## হে মহৰ্ষি তোমাক প্ৰণাম

**মুন শৰ্মা,** লখিমপুৰ

বিশ্ব বিশ্ৰুত বিশ্ব বৰেণ্য,
তুমি প্ৰেৰণা তুমি সাহস,
তুমি আস্থা তুমি মুক্তিৰ এটি গান।
এটি এটি সকিয়নি এটি এটি বিচাৰ,
এটি প্ৰভাত তুমি, এখনি জোনাকৰ মেল,
অশান্তিৰ কাষত এটি আশাবাদৰ চিঞৰ তুমি।
সত্তা তুমি প্ৰতিবাদৰ, পূজাৰী তুমি মানৱতাৰ,
কণ্ঠ তুমি জগত সভাৰ, চানেকি তুমি মহানতাৰ
চিন্তা তুমি ভৱিষ্যতৰ প্ৰেমিক তুমি বুঢ়া লুইতৰ।
নহয় যাযাবৰী, কিয় কোৱা নাই মোৰ নিজা ঘৰ
প্ৰতি হৃদয় প্ৰতি থাপনা দেখোন তোমাৰ নামত।
পাহাৰ ভৈয়াম একত্ৰিত মাত্ৰ তোমাৰ গানত
সম্প্ৰীতিৰ বাৰ্তা বাহক সন্তান তুমি অসমী আইৰ
ৰত্ন তুমি ভাৰতৰ।
হে' মহৰ্ষি তোমাক প্ৰণাম,
জন্মৰ শতবাৰ্ষিকী এই পৱিত্ৰ ক্ষণত,
এপাহী শুকুলা কুসুম তোমাৰ চৰণত,
জনাইছোঁ আমি শ্ৰদ্ধাঞ্জলি তোমাক,
যতেই আছা কুশলে থাকা,
ওহ' মহৰ্ষি তোমাক প্ৰণাম

**ম'বাইল ঃ** ৬০০০১-৭০১৬৩



প্ৰথম পৃষ্ঠাৰ পৰা

## মুখ্যমন্ত্ৰীৰ উপস্থিতিত দৰঙত ৬৩০০ কোটি টকা প্ৰকল্প ব্যয়েৰে তিনিটা

সাৰ কাৰখানা, জাগীৰোডত টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প, ধুবুৰীৰ চাপৰত বৃহৎ শক্তি উপাদন কেন্দ্ৰকে ধৰি অজস্ৰ আঁচনিৰে অসমখনক আগুৱাই লৈ যোৱাৰ বাবে প্ৰধানমন্ত্ৰীয়ে উদ্যোগ গ্ৰহণ কৰিছে। অহা কিছুদিনৰ পিছতে বাইহাটা চাৰিআলিৰ পৰা তেজপুৰ সংযোগী পথছোৱাও চাৰিলেনযুক্ত পথ হিচাপে নিৰ্মাণ হৈ উঠিব বুলি তেওঁ কয়। ড° শৰ্মাই কয় যে অসমৰ বিকাশৰ বাবে প্ৰতিটো ক্ষণ অক্লান্তভাৱে কাম কৰি যাবলৈ ৰাজ্য চৰকাৰ দৃঢ়প্ৰতিজ্ঞ, যাতে ৰাজ্যখনক ভাৰতৰ ভিতৰতে এখন শ্ৰেষ্ঠ ৰাজ্যলৈ ৰূপান্তৰ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে কয় যে ভগৱান শ্ৰীকৃষ্ণৰ পবিত্ৰ জন্মাষ্টমীৰ দিনাই আজি ৰাজ্যত কেইবাটাও বৃহৎ প্ৰকল্পৰ শুভাৰম্ভণিয়ে ৰাজ্যখনৰ ওপৰত থকা ভগৱানৰ আশীৰ্বাদকে সূচাইছে। অদৃষ্টৰ আশিস আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসমক দুগুণ তীব্ৰতাৰে বিকাশৰ গতিপথেৰে আগুৱাই লৈ যাবলৈ সক্ষম হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। ড° শৰ্মাই কয় যে গুৱাহাটীত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাক প্ৰধানমন্ত্ৰীয়ে যিধৰণে সন্মানিত কৰিলে, সেই পদক্ষেপে প্ৰতিগৰাকী অসমীয়াৰে হৃদয় স্পৰ্শ কৰিছে। তাৰ বাবে তেওঁ অসমবাসীৰ হৈ পুনৰবাৰ প্ৰধানমন্ত্ৰীৰ ওপৰত কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ কয় যে কিছুদিনৰ পূৰ্বে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত কেন্দ্ৰীয় কেবিনেটে অসমত ইণ্ডিয়ান ইনষ্টিটিউট অব্ মেনেজমেণ্ট (আই আই এম) স্থাপনত মঞ্জুৰি দিছে। ইয়াৰ উপৰি আন বহুকেইটা গুৰুত্বপূৰ্ণ আঁচনি ভাৰত চৰকাৰৰ বিবেচনাধীন হৈ আছে বুলি জানিবলৈ দি তেওঁ কয় যে এই আঁচনিসমূহ বাস্তৱত ৰূপায়িত হ'লে আমাৰ ৰাজ্যখনে ভাৰতবৰ্ষৰ ভিতৰতে এখন বিকশিত ৰাজ্য হিচাপে মূৰ দাঙি উঠিব। তেওঁ কয় যে সন্ত্ৰাস আৰু হিংসাৰ ৰাজনীতিৰ পাছত অসমত আজি বিকাশ আৰু উন্নয়নৰ এক পৰিৱেশ নিৰ্মাণ হৈছে। এক আন্দোলন বিৰৰ্জিত পৰিৱেশত অসমে এক নতুন দিগন্তলৈ গতি কৰিছে বুলি মন্তব্য কৰি তেওঁ কয় যে বিগত পাঁচটা বছৰত ৰাজ্যবাসীয়ে চৰকাৰলৈ আগবঢ়োৱা সহযোগিতাৰ বাবেই আজি এখন নতুন অসমৰ সপোন দেখা সম্ভৱ হৈ উঠিছে, যাৰ বাবে ৰাজ্যৰ জনসাধাৰণৰ ওচৰত তেওঁ চিৰকৃতজ্ঞ। তেওঁ কয় যে গুৱাহাটী ৰিং ৰোড, নাৰেংগী-কুৰুৱা দলং আদিৰ কথা কওঁতে একাংশই উপহাস কৰিছিল, কিন্তু ই আজি বাস্তৱত ৰূপায়িত হ'ল। একেদৰে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ কথা কওঁতেই একাংশই তাচ্ছিল্য কৰিছিল, কিন্তু অহা জানুৱাৰী মাহত এই দলং উদ্বোধনৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনাইছে। তেওঁ কয় যে অসমে নতুন আশা বুকুত বান্ধি নতুন দিনৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিছে আৰু এখন নতুন অসম নিৰ্মাণৰ দিশত আগবাঢ়িছে। অসমৰ বিকাশ আৰু উন্নয়নৰ গতিত যদি হিমালয়ো আহি হেঙাৰৰ সৃষ্টি কৰে, ৰাজ্যখনে তাকো অতিক্ৰম কৰি আগবাঢ়ি যাব বুলি তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। উল্লেখযোগ্য যে অসমৰ ২৪ সংখ্যক মেডিকেল কলেজ হিচাপে স্থাপন কৰিবলৈ লোৱা দৰং মেডিকেল কলেজত বছৰি ১০০ গৰাকী শিক্ষাৰ্থীয়ে এমবিবিএছ পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰিব। লগতে বছৰি ৪০ গৰাকীকৈ শিক্ষাৰ্থীয়ে নামভৰ্তি কৰিব পৰা এখন জি এন এম স্কুল আৰু বছৰি ৬০ গৰাকীকৈ শিক্ষাৰ্থীয়ে নামভৰ্তি কৰিব পৰা এখন বিএছচি নাৰ্চিং স্কুলো ইয়াত স্থাপন কৰা হ'ব। চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালখনৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে ই অঞ্চলটোত স্বাস্থ্যসেৱা আৰু চিকিৎসা শিক্ষাৰ দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিব। আনহাতে ১২১.৪৩ কিলোমিটাৰ দৈৰ্ঘৰ গুৱাহাটী ৰিং ৰোড প্ৰকল্পটো তিনিটা মূল অংশত ভগোৱা হৈছে। প্ৰথম অংশটো বাইহাটা চাৰিআলিৰ পৰা কুৰুৱা আৰু চন্দ্ৰপুৰ হৈ সোণাপুৰলৈ প্ৰায় ৫৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ হ'ব। এই অংশটোত চাৰিলেনযুক্ত পথ আৰু ছয়লেনযুক্ত কেবাখনো দলং থাকিব।

## শিৱসাগৰ জিলাৰ ৰাজহুৱা বিতৰণ বিভাগত হঠাৎ ভিজিলেঞ্চৰ অভিযান

### হাতেলোটে আটক অধীক্ষক নাগুইব খান



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰঃ** শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত থকা খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগত যোৱা ১০ ছেপ্তেম্বৰত হঠাৎ চি এম ভিজিলেঞ্চ আৰু দুৰ্নীতি নিবাৰক শাখাই এক গুৰুত্বপূৰ্ণ অভিযান চলায়। উক্ত অভিযানত খাদ্য ৰাজহুৱা বিতৰণ বিভাগৰ অধীক্ষক নাগুইব খানক ঘোচ লোৱা অৱস্থাত হাতে-লোটে আটক কৰিবলৈ সক্ষম হয় ভিজিলেঞ্চৰ বিশেষ অভিযানকাৰী দলে। জানিব পৰা মতে, দুৰ্নীতি নিবাৰক শাখাৰ কেইবাজনীয়া এটা বিশেষ দলে অধীক্ষক নাগুইব খানৰ কাৰ্যালয়ত অভিযান চলায়। দলটোৱে হাতে-লোটে ধনসহ নাগুইব খানক তৎপৰ অৱস্থাতে আটক কৰাত জিলা প্ৰশাসনৰ ভিতৰচৰাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বৰ্তমানেও দলটোৱে বিষয়াগৰাকীক সোধাপোছা অব্যাহত ৰাখিছে। উল্লেখ্য যে, অভিযানকাৰী দলটোৱে লগতে কাৰ্যালয়ত অনুসন্ধান অভিযান চলাই অধিক তথ্য-প্ৰমাণ সংগ্ৰহ কৰে। আটক হোৱা বিষয়াগৰাকীক পোনে পোনে গুৱাহাটীৰ ভিজিলেঞ্চ কাৰ্যালয়লৈ লৈ যোৱা হয়। অধীক্ষক নাগুইব খানে সংবাদ মাধ্যমৰ মুখামুখিত-'মোৰ হাতত একো পইছা পোৱা নাই। মোক ফচোৱা হৈছে, চক্ৰ এটা আছে। মোৰ টেবুলৰ ডায়েৰীত পইছা লোকোৱাই থৈছিল..' বুলি আনৰ ওপৰত দোষ জাপি দিয়া পৰিলক্ষিত হয়।

## নুমলীগড়ত ৭,২৩১ কোটি টকা ব্যয়সাপেক্ষ পলিপ্ৰ'পিলিন প্ৰকল্পৰো শিলান্যাস প্ৰধানমন্ত্ৰীৰ

ক্ষমতাসম্পন্ন শোধানাগাৰ হিচাপে এই প্ৰতিষ্ঠান দেশবাসীৰ সেৱাত উছৰ্গা কৰিছিল। তেওঁ কয় যে শোধনাগাৰটোৰ প্ৰকল্পৰ আয়তন বৃদ্ধিৰ আলোচনা হৈছিল যদিও অসমত খাৰুৱা তেলৰ অভাৱৰ বাবে নুমলীগড় শোধনাগাৰৰ সম্প্ৰসাৰণ সম্ভৱ হোৱা নাছিল। তেনে সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই সিদ্ধান্ত লৈছিল যে দেশৰ ভিতৰতে প্ৰথম খাৰুৱা তেল উৎপাদন হোৱা ৰাজ্য অসমৰ নুমলীগড় শোধনাগাৰৰ সম্প্ৰসাৰণৰ বাবে খাৰুৱা তেলৰ প্ৰয়োজন হ'লে বিদেশৰ পৰা আনি হ'লেও শোধনাগাৰটোক প্ৰাণৱন্ত কৰি তোলা হ'ব। সেই প্ৰতিশ্ৰুতি অনুসৰি ২৬ হাজাৰ কোটি টকা ব্যয় কৰি ওড়িশাৰ পাৰাদ্বীপৰ পৰা তেল আনি প্ৰধানমন্ত্ৰীয়ে নুমলীগড় শোধনাগাৰক এক নতুন জীৱন প্ৰদান কৰিলে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে নুমলীগড় শোধনাগাৰৰ শোধন ক্ষমতা বাৰ্ষিক ৩ মিলিয়ন মেট্ৰিকটনৰ পৰা আজি ৯ মিলিয়ন মেট্ৰিকটনলৈ সম্প্ৰসাৰিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তৎপৰতাত বৃহৎ পাইপলাইনেৰে পাৰাদ্বীপৰ পৰা খাৰুৱা তেল অনাৰ বাবেই এয়া সম্ভৱ হৈ উঠিল বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এদিন অসমে ভাৰতক তেল দিছিল, আজি যেতিয়া অসমক তেলৰ প্ৰয়োজন হ'ল, প্ৰধানমন্ত্ৰীয়ে দেশৰ অন্য অংশৰ পৰা তেল আনি অসমৰ শোধনাগাৰক জীয়াই তুলিলে। এই পদক্ষেপৰ বাবে কৃতজ্ঞ অসমবাসীৰ হৈ তেওঁ প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। বাঁহক অসমৰ জাতীয় সম্পদ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে অসমবাসীয়ে বাঁহক মাত্ৰ ঘৰুৱা কাম-কাজতহে ব্যৱহাৰ কৰি আহিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে বাঁহক বনজ সম্পদৰ পৰা সাধাৰণ কৃষিজাত সামগ্ৰীলৈ ৰূপান্তৰ কৰিছিল আৰু আজি এই বাঁহক ইথানললৈ ৰূপান্তৰ কৰি অসমৰ ৫০ হাজাৰ বাঁহ খেতিয়কৰ জীৱনলৈ পৰিৱৰ্তন আনিলে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে যোৱা ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰীৰ উপস্থিতিত এডভাণ্টেজ অসম বিনিয়োগ সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনত অসমে ৫ লাখ কোটি টকাৰ বিনিয়োগৰ চুক্তিত স্বাক্ষৰ কৰিছিল, যাৰ ভিতৰত ইতিমধ্যেই ডেৰ লাখ কোটি টকাৰ বিনিয়োগ বাস্তৱায়িত হৈছে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত আজি অসমে নতুন দিগন্তলৈ বাট বুলিছে বুলি মন্তব্য কৰি তেওঁ কয় যে ঔদ্যোগীকৰণ আৰু উন্নয়নৰ সমান্তৰালভাৱে প্ৰধানমন্ত্ৰীয়ে অসমৰ ভাষা-সংস্কৃতিকো আগুৱাই নিছে। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান, চৰাইদেউৰ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি, লাচিত বৰফুকনক সমগ্ৰ বিশ্বৰ ওচৰত পৰিচিত কৰোৱা, বিহু আৰু ঝুমইৰক বিশ্ব দৰবাৰলৈ নিয়া আৰু ভাৰত-ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীত অংশগ্ৰহণেৰে প্ৰধানমন্ত্ৰীয়ে প্ৰতিগৰাকী অসমীয়াৰে হৃদয়ক স্পৰ্শ কৰিছে আৰু তাৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আৰু কিছুদিনৰ পাছতে গোলাঘাট জিলা আৰু গহপুৰক সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ তলেৰে সুৰংগ নিৰ্মাণ বাস্তৱায়িত হৈ উঠাৰ লগতে নামৰূপ সাৰ কাৰখানাৰ পুনৰুজ্জীৱিতকৰণ কামেও অগ্ৰগতি লাভ কৰিব। আজি অসমে এক নতুন পৰিচয় লাভ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে অসম আজি ভাৰতৰ দ্ৰুততম বিকশিত ৰাজ্যত পৰিণত হৈছে, যি এগৰাকী অসমীয়া হিচাপে আমাৰ সকলোৰে বাবে গৌৰৱৰ কথা। নিকা নিযুক্তি, মহিলা সবলীকৰণ আদিৰ জৰিয়তে আজি অসমে নতুন নতুন কীৰ্তিমান স্থাপন কৰিছে। নুমলীগড় শোধনাগাৰক এক নতুন ৰূপ প্ৰদানৰ ক্ষেত্ৰত লোৱা ভূমিকাৰ বাবে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীকো ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে অসম বায়'-ইথানল প্ৰকল্পটো হৈছে বাঁহক কেঁচামাল হিচাপে ব্যৱহাৰ কৰি ইথানল উৎপাদন কৰা বিশ্বৰ ভিতৰতে প্ৰথমটো দ্বিতীয় প্ৰজন্মৰ বা ২-জি বায়'-ৰিফাইনাৰী। এই প্ৰকল্পত বছৰি প্ৰায় ৪৯ হাজাৰ টন ইথানল উৎপাদন কৰা হ'ব। ইয়াৰ লগতে ফাৰফিউৰাল, এচিটিক এচিড, কাৰ্বন ডাই অক্সাইড আৰু বায়'-ক'লৰ দৰে অতি গুৰুত্বপূৰ্ণ পদাৰ্থও উৎপাদন কৰা হব। এই প্ৰকল্পৰ জৰিয়তে বছৰি প্ৰায় ৫ লাখ টন বাঁহৰ বজাৰ গঢ় লৈ উঠিব তথা বছৰি ২০০ কোটি টকাৰ অৰ্থনৈতিক মূল্যৰ বাঁহৰ ব্যৱসায়িক সুযোগ-সুবিধাৰ সৃষ্টি হ'ব। আনহাতে নুমলীগড় শোধনাগাৰত স্থাপন কৰিবলৈ লোৱা ৩৬০ হাজাৰ টন উৎপাদন ক্ষমতাসম্পন্ন পলিপ্ৰ'পিলিন প্ৰকল্পই পেট্ৰ'কেমিকেল সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰি আমদানিৰ ওপৰত দেশৰ নিৰ্ভৰশীলতা হ্ৰাস কৰি অৰ্থনৈতিক উপকৃত কৰিব। এই প্ৰকল্পত বিশ্বমানৰ প্ৰযুক্তি ব্যৱহাৰ কৰা হ'ব। ২০২৮ চনত উৎপাদন আৰম্ভ হ'বলগীয়া প্ৰকল্পটোত প্ৰায় ২০০ টা স্থায়ী আৰু অস্থায়ী কৰ্মসংস্থাপনৰ সৃষ্টি হ'ব। লগতে পৰোক্ষভাৱে পলিপ্ৰ'পিলিন পৰিবহণ, গুদাম আদিত বহু শতাধিক লোকৰ নিয়োগৰ বাট মুকলি হ'ব। ৰাজ্য চৰকাৰৰ কৃষি আৰু উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়েও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগ, শ্ৰমিক কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক মৃণাল শইকীয়া, বিশ্বজিত ফুকন আৰু ভৱেন্দ্ৰনাথ ভৰালীৰ লগতে ৰাজ্য চৰকাৰৰ আন বহুকেইগৰাকী মন্ত্ৰী-বিধায়ক তথা সাংসদ আৰু বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## খেল-ধেমালিৰ গুৰুত্ব আৰু কিছু অনুভৱ

হয় আৰু দেহত সুস্থতা আহে। উদাহৰণস্বৰূপে, ফুটবল খেলিলে দৌৰা-দৌৰি আৰু দেহৰ সকলো অংশৰ সমানভাৱে ব্যায়াম হয়। ভলীবল বা ক্ৰিকেট খেলিলে একাগ্ৰতা, দৌৰা আৰু সমন্বয় ক্ষমতা বৃদ্ধি পায়। খেল-ধেমালিৰ দ্বাৰাই ৰক্ত সঞ্চালন সুস্থ হয়, শ্বাস-প্ৰশ্বাস প্ৰক্ৰিয়া নিয়মিত হয় আৰু অসুখ-বিসুখৰ পৰা দেহ সুৰক্ষিত থাকে। দ্বিতীয়তে, মানসিক দৃষ্টিকোণৰ পৰা যদি ক'বলৈ গ'লে - খেল-ধেমালিয়ে মানুহক মানসিক চাপৰ পৰা মুক্ত কৰে। পঢ়া বা দৈনন্দিন কামৰ পৰা অৱসৰ লৈ ক্ৰিকেট, কাবাডী বা বেডমিণ্টন খেলিলে মন প্ৰফুল্ল হয়। কেতিয়াবা খেলা হাৰিবও পাৰে, জিকিবও পাৰে, কিন্তু দুয়ো অৱস্থাই মানসিক দৃঢ়তা গঢ়িবলৈ সহায় কৰে। উদাহৰণস্বৰূপে, দবা খেলিলে ধৈৰ্য্য, একাগ্ৰতা আৰু কৌশলত চিন্তা কৰাৰ অভ্যাস গঢ়ি উঠে।

তৃতীয়তে, সামাজিক জীৱনৰ ক্ষেত্ৰত - খেল-ধেমালিয়ে মানুহৰ মাজত সমন্বয়ৰ সৃষ্টি কৰে। একে দলৰ খেলুৱৈয়ে পৰস্পৰ মিলি খেলিলে দলীয়তা, ভ্ৰাতৃত্ব আৰু সহমৰ্মিতাৰ শিক্ষা পায়। উদাহৰণস্বৰূপে, কাবাডী খেলত যদি দলৰ সকলো খেলুৱৈ একে হ'ব নোৱাৰে, তেন্তে জিকিব নোৱাৰে। এই শিক্ষা আমাৰ দৈনন্দিন জীৱনতো প্ৰযোজ্য, কাৰণ একতাই শক্তি।

চতুৰ্থতে, জীৱনৰ মূল্যবোধৰ ক্ষেত্ৰত - খেল-ধেমালিয়ে আমাক শৃংখলা, সময় ব্যৱস্থাপনা, সহিষ্ণুতা আৰু ন্যায়বিচাৰৰ দিশে আগুৱাই নিয়ে। ৰেফাৰীৰ সিদ্ধান্ত মানি লোৱা হ'ব লাগে, নিয়ম মানি খেলিব লাগে - এইবোৰে আমাক নীতি-নৈতিকতা শিকায়। উদাহৰণস্বৰূপে, এখন ক্ৰীড়া প্ৰতিযোগিতাত খেলুৱৈয়ে ৰেফাৰীৰ সিদ্ধান্ত মানি লৈ আগবাঢ়িলে তেওঁ জীৱনৰ অন্যক্ষেত্ৰতো নীতিৰ সন্মান কৰিব পাৰে। খেল-ধেমালি কেৱল মনোৰঞ্জন নহয়, ই জীৱনৰ এক পাঠশালা। স্বাস্থ্য, মানসিক দৃঢ়তা, সামাজিক সম্প্ৰীতি আৰু জীৱন মূল্যবোধৰ সলনি খেল-ধেমালি অনন্য। সেইবাবে আমাক সকলোৰে দিনে দিনে কিছু সময় খেল-ধেমালিৰ বাবে উৎসৰ্গ কৰিব লাগিব। "যিজনে খেল-ধেমালি কৰে, তেওঁৰ সদায় তেজস্বী আৰু প্ৰফুল্ল থাকে।"







Janasanyog RO no 2125/25/19-September-25

# গৌহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তথা লেখিকা প্ৰাণ প্ৰতিমা বড়াৰ গ্ৰন্থ ‘আবেলি পৰৰ নীড়’ উন্মোচন



**গুৱাহাটী ঃ** যোৱা ইংৰাজী ১২ ছেপ্টেম্বৰ তাৰিখে গুৱাহাটী অসম সাহিত্য সভাৰ নেহা আগৰৱালা সভা গৃহত গৌহাটী উচ্চ ন্যায়ালয় শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। নবেন্দু পাঠকে আঁত ধৰা এই অনুষ্ঠানটোৰ সভাপতিত্ব কৰে শ্ৰীকৃষ্ণকান্ত মহন্ত (জ্যেষ্ঠ অধিবক্তা) ও সভাপতি, শ্ৰীদাৰা উল্লা, গৌহাটি উচ্চ ন্যায়ালয় শাখা সাহিত্য সভা, মুখ্য অতিথি হিচাপে উপস্থিত থাকে গৌহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ শ্ৰীবিপ্লৱ কুমাৰ শৰ্মা, ড° সঞ্জীৱ কুমাৰ শৰ্মা, সম্পাদক, অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয় ও সদস্য, কেন্দ্ৰীয় সমিতি, অসম সাহিত্য সভা, শ্ৰী শান্তনু বৰঠাকুৰ (অধিবক্তা) ও উপ-সভাপতি, গৌহাটি উচ্চন্যায়ালয় উকীল সন্থা, শ্ৰীপ্ৰফুল্ল বৰ্মন, সভাপতি, কামৰূপ মহানগৰ জিলা সাহিত্য সভা, সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অধিবক্তা তথা গৌহাটী উচ্চ ন্যায়ালয় শাখা সাহিত্য সভাৰ সম্পাদক শ্ৰীসন্দীপ চমৰিয়াই। গৌহাটী উচ্চ ন্যায়ালয় অধিবক্তা তথা লেখিকা প্ৰাণ প্ৰতিমা বড়াৰ ‘আবেলি পৰৰ নীড়’ নামৰ গ্ৰন্থখন উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে গুৱাহাটী উচ্চন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ শ্ৰদ্ধাৰ বিপ্লৱ কুমাৰ শৰ্মাদেৱে। উক্ত উন্মোচনত সভাৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে লেখিকাৰ পিতৃ-মাতৃৰ উপস্থিতিত গ্ৰন্থখন উন্মোচন কৰা হয়।

# একাদশ নাট্যবৰ্ষৰ বাবে সাজু সূৰ্যোদয় নাট্যগোষ্ঠী


**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** উত্তৰ কামৰূপ অঞ্চলৰ এটি জনপ্ৰিয় ভ্ৰাম্যমাণ নাট্যগোষ্ঠী সূৰ্যোদয়ে একাদশ ২০২৫-২৬ নাট্যবৰ্ষক লৈ আৰম্ভ কৰিছে চমকপ্ৰদ প্ৰস্তুতি। বিগত দহটাকৈ নাট্যবৰ্ষত কোনোধৰণৰ কাৰিকৰী চমকৰ আশ্ৰয় নোলোৱাকৈ কেৱল কাহিনী আৰু সামাজিক মেছেজধৰ্মী নাটকেৰে দৰ্শকৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছে যুৱ প্ৰযোজক ৰণদ্বীপ পাটোৱাৰী (ৰিংকু) প্ৰযোজিত সূৰ্যোদয় নাট্যগোষ্ঠীয়ে। বিগত সময়ৰ ধাৰাবাহিক জয়যাত্ৰা অব্যাহত ৰখাৰ প্ৰয়াসেৰে চলিত নাট্যবৰ্ষতো দৰ্শকক উৎকৃষ্ট তথা ভাল নাটক উপহাৰ দিবলৈ সাজু হৈছে সুৰ্যোদয় পৰিয়াল। চলিত নাট্যবৰ্ষত নাট্যগোষ্ঠীটোৱে মঞ্চস্থ কৰিব দুখনকৈ ভিন্নসুৰী নাট। সেই মৰ্মে অপেছাদাৰী নাট্যজগতৰ জনপ্ৰিয় নাট্যকাৰ-পৰিচালক, অভিনেতা শৰৎ ডেকাই সূৰ্যোদয়ৰ বাবে ৰচনা কৰিছে ‘অমাৱস্যাত জোনাক’ আৰু ‘মৰুভূমিত মৰমৰ বৰষুণ’ নামৰ দুখন নাট। বিগত মাহৰ ১৮ আগষ্টত বিহদিয়াৰ মুকুণ্ডপুৰত শুভ মহুৰত কৰি পূৰ্ণ প্ৰস্তুতিৰে চলাইছে দুয়োখন নাটকৰ আখৰা। এই ক্ষেত্ৰত প্ৰযোজকে জনাই যে- সূৰ্যোদয় নাট্যগোষ্ঠীয়ে ইতিপূৰ্বে মঞ্চস্থ কৰি অহা নাট সমূহৰ বিপৰীতে এইবাৰৰ দুয়োখন নাটকতে কিছু ব্যতিক্ৰম সোৱাদ লাভ কৰিব বুলি আমি দৃঢ়বিশ্বাসী। নাট্যদলটোৰ অভিনয়ৰ দিশত থাকিব মঞ্চৰ বলিষ্ঠ অভিনেতা শৰৎ ডেকা, লজিক শৰ্মা, প্ৰদীপ কুমাৰ পাটোৱাৰী, পংকজ কলিতা, ভাৰ্গৱ ডেকা, ৰাকেশ কাশ্যপ, বনশ্ৰী তালুকদাৰ, ধৰিত্ৰী পাটোৱাৰী, ভাস্বতী পাটোৱাৰী, ভাস্বতী ডেকা আৰু ৰণদ্বীপ পাটোৱাৰী। সূৰ্যোদয় নাট্যগোষ্ঠীৰ প্ৰতিষ্ঠাপক প্ৰযোজক লোকনাথ পাটোৱাৰী। সংগীত ব্যৱস্থাপনাৰ দায়িত্বত আছে ভৱেশ ভূষন ডেকা আৰু নৃত্য পৰিচালনা কৰিব কৈলাশ কুমাৰে। সম্পাদক লজিক শৰ্মা। যোগাযোগ- ৮৭৪৯৮০৩৭০৮, ৮৬৩৮৭৮৯৭৫৫।

# উষানগৰী তেজপুৰত কে এন কে স্কুল অফ ফাইন আৰ্টৰ দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস সম্পন্ন

## শতাধিকৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে জিলা ভিত্তিত আয়োজিত চিত্ৰাঙ্কন প্ৰতিযোগিতাত অংশগ্ৰহণ



**চন্দন শৰ্মা, তেজপুৰ ঃ** উষানগৰী তেজপুৰৰ নিকামূলস্থিত ২০১৫ চনত জন্মলাভ কৰা কে. এন. কে. স্কুল অফ ফাইন আৰ্টৰ শুকুৰবাৰে দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস ভাগৰ লগত সংগতি ৰাখি পৰুৱা চাৰিআলিৰ নিচেই কাষতে অৱস্থিত সত্ৰাধিকাৰ ধৰ্মৰত্ন গহন চন্দ্ৰ গোস্বামী সোঁৱৰণী মঞ্চত অনুষ্ঠিত কৰা শোণিতপুৰ জিলা ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে তেজপুৰৰ বিশিষ্ট চিত্ৰশিল্পীসকলৰ দ্বাৰা আয়োজিত চিত্ৰ কৰ্মশালাখনি সফলৰূপে সম্পন্ন হয়। কাৰ্যসূচী মৰ্মে প্ৰথমে এগছি বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে তেজপুৰৰ জেষ্ঠ চিত্ৰশিল্পী হৰি নাৰায়ণ দাসে। সৰস্বতী বন্দনা পৰিৱেশন কৰে কণ্ঠশিল্পী প্ৰণামী বৰঠাকুৰে। তাৰপিছতে শোণিতপুৰ জিলা ভিত্তিত চাৰিটা শাখাত অনুষ্ঠিত কৰা চিত্ৰাঙ্কন প্ৰতিযোগিতাত শতাধিকৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা দেখা যায়। ইয়াৰ উপৰিও এক ব্যতিক্ৰম কাৰ্যসূচী তেজপুৰৰ বিশিষ্ট চিত্ৰশিল্পীসকলৰদ্বাৰা তেজপুৰৰ ইতিহাসৰ লগত জড়িত চিত্ৰ অংকণ কৰি এক চিত্ৰ কৰ্মশালাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক চিত্ৰ অংকণৰ প্ৰতি অধিক গুৰুত্ব দিয়াৰ লগতে উৎসাহ প্ৰদান কৰাও দেখা যায়। উক্ত চিত্ৰাঙ্কন প্ৰতিযোগিতাত বিজয়ী হোৱা প্ৰতিযোগীক বঁটা প্ৰদান কৰাৰ লগতে বিশিষ্ট চিত্ৰশিল্পীসকলকো উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। লগতে ২০২৪-২৫ বৰ্ষত ললিত কলা কেন্দ্ৰৰ পৰা অনুষ্ঠিত পৰীক্ষাত আশী শতাংশৰ উৰ্ধৰ নম্বৰ লাভ কৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত চিত্ৰাঙ্কন প্ৰতিযোগিতাখনত ক শাখাৰ পৰা প্ৰথম ইশান প্ৰিয়ম বৰা, দ্বিতীয় শ্ৰিয়ান সোনাৰ, তৃতীয় পিনাংক কোঁচ, চতুৰ্থ কৃতাঞ্জলী শাণ্ডিল্য, খ শাখাৰ পৰা প্ৰথম নৈতিক নিদৰ্শন শইকীয়া, দ্বিতীয় স্পন্দন সন্দিকৈ, তৃতীয় লিয়ান লহকৰ, চতুৰ্থ ধ্ৰুৱজ্যোতি নাথ, পঞ্চম ভাৰ্গৱী চহৰীয়া, গ শাখাৰ পৰা প্ৰথম গীতাৰ্থ শইকীয়া, দ্বিতীয় ডিম্পল দেৱী, তৃতীয় সোহম চেতাৰ্জী, চতুৰ্থ প্ৰজ্ঞানজ্যোতি নাথ, পঞ্চম আয়ুস সিং, ঘ শাখাৰ পৰা প্ৰথম কৌশিক নাথ, দ্বিতীয় জুমনি চহৰীয়া, আৰু তৃতীয় স্থান দিক্ষা গগৈয়ে বঁটা পাবলৈ সক্ষম হয়। বিদ্যালয়খনৰ অধ্যক্ষা মণিমালা বৰাৰ এনে সুন্দৰ প্ৰদক্ষেপৰ বাবে শৈক্ষিক মহলে ভূয়সী প্ৰশংসা কৰাৰ লগতে বিদ্যালয়খনৰ দীৰ্ঘায়ু তথা উত্তৰোত্তৰ কামনা কৰে।










স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিন্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা